# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

# OFFICIAL REPORT

ELEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE THIRTEENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN

CONSTITUTION OF INDIA

## FEBRUARY SESSION

NO.5

THE 15TH FEBRUARY, 2014

PRICE : Rs. 20/-

DP878

# CONTENT

## FEBRUARY SESSION
## NO - 3
## Dated, the 15$^{TH}$ February, 2014


| | | Page No. |
|---|---|---|
| 1. | Discussion on vote on account Budget for the Financial year, 2014-2015. | 3 |
| 2. | Voting on vote on account Budget for the year, 2014-2015. | 46 |
| 3. | Introduction, Consideration and Passing of the Assam Appropriation (vote-on-account) Bill, 2014 | 47 |
| 4. | Presentation of the report of the Legislature Committee. | 54 |
| 5. | Valedictory speech | 54 |
| 6. | Obituary reference | 59 |
| 7. | Adjournment | 60 |

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Saturday, the 15th February, 2014.**

The House met at 9.00 a.m. of the clock
in the Assembly Chamber at Dispur with
Shri Pranab Kumar Gogoi, Speaker in the Chair

# Discussion on Vote on Account Budget for the Financial Year, 2014-2015

মাননীয় অধ্যক্ষ ঃ কাৰ্যসুচী নং- ১ । ২০১৪-১৫ বৰ্ষৰ বাবে লেখানুদান বাজেটৰ ওপৰত আলোচনা।

Shri Shirajuddin Ajmal : Respected Sir, As this is an Interim Budget I would like to give chance to my MLAs Mr. Monowar Hussain and Rafiqul Islam to take part in this discussion and I will restrict myself to short general observations.

Sir, this is a populist election oriented budget presented by our Chief Minister. We are unable to understand "ALAUDDIN'S CHIRAG" which has come to CM's hand by which he will achieve all that he could not achieve in the last 12 years of his Government's Rule.

I am astonished and perturbed to see how the state Government, which has miserably failed to deliver their previous

promises, has announced boundless of perpetual promises once again. How this government so easily has forgotten to rehabilitate thousands of riot victims of BTAD since 1993 still waiting for promises of Shri. Gogoi's government.

Hon'ble CM regularly speaks about inclusive growth but how is it possible to achieve it by excluding a major portion of Assam's demography from the ambit of his budget. Every year we hear that previous government has not done this and that, kindly put before the people of Assam what your government has not done in the last 12 years. Let me help you by guiding and suggesting...........

1. What is the percentage (%) of BPL families in the state as on today? Whether BPL population is increasing or decreasing year by year?

2. Whether your government has taken any step to control unnatural price rise, atrocious law and order situation, highly corrupt politicians and officials, (Lok Ayukta is the best proposal but we can say for sure it will never come in your tenure as a CM for obvious reasons) overwhelming unemployment lack of infrastructure development, development of industries & power, most importantly agriculture and allied fields, education and health care and

flood and erosion being biggest threat to the states development?

3. Does your inclusive growth & development means only treasury benchers and totally decimating the opposition in a democracy? Kindly look into the difficulties faced by opposition MLAs in getting their development funds and implementing various welfare projects.

4. Is it so difficult to complete the NRC and once and for all put an end to miseries and harassment of millions of minorities termed as 'D' voters?

5. Senior statesmen like you declaring BIHU GIFT in your budget speech indicates "NOTE EOR VOTE" which is highly unbecoming of CM of a state and totally unconstitutional.

6. It is more than 65 years since Indian's independence and 12 years of your government and you now speak of forming Development Councils for children and youth. It is quite shameful.

Here I would like to end by saying that your manipulated jargon of budget deficit turning into revenue surplus cannot address problems of millions of BPL.

Embarrassingly and astonishingly awaiting your amusing rhetoric reply Hon'ble CM Sir,

Thank you respected Speakr Sir for giving me this opportunity.

* **শ্ৰীফণীভূষণ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী ডাঙৰীয়াই ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বাবে এক এপ্ৰিলৰ পৰা ৩০ ছেপ্টেম্বৰলৈ যিখন লেখানুদান উত্থাপন কৰি ভাষণ ৰাখিছিলে। এই ক্ষেত্ৰত মই কওঁ যে এইখন এখন গতানুগতিক বাজেট আৰু অহা মাৰ্চ, এপ্ৰিল মাহত হ'ব লগা লোক সভা নিৰ্বাচনৰ বাবে নিৰ্বাচনকেন্দ্ৰিক বাজেট ভাষণ। এই বাজেট ভাষণৰ ওপৰত মই দুটামান কথা কম। ৰাজ্যখনে প্ৰতিবছৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা পেন্সনৰ টকা পায়। প্লেনৰ টকা যিমানখিনি পায়, সিমানখিনি টকা কোনো দিনে ব্যয় নহয়। প্ৰতি বছৰে ২০ ৰ পৰা ৪০ পাৰচেণ্ট টকা খৰছ নোহোৱাকৈ থাকি যায়। প্লেনৰ টকা খৰচ কৰা সম্পৰ্কত যোৱা বাজেট ভাষণত বিত্তমন্ত্ৰী মহোদয়ে এটা কথা উল্লেখ কৰিছিল— any Department fails to lapse and same will be given to the performing Department ........ গতিকে কথা হৈছে যোৱা বাজেট ভাষণত এটা কথা উল্লেখ কৰিছিলে যে যি বিলাক বিভাগে প্লেনৰ টকা ব্যয় কৰিব নোৱাৰে সেই টকা লেপচ্ হৈ যাব সেই টকা বেলেগ উন্নয়নমূলক কামত ব্যৱহাৰ কৰিব। বিত্তমন্ত্ৰী মহোদয়ে সেই ভাষণত আৰু এটা কথা কৈছিলে যে বিত্ত বিভাগৰ

---

* Speech not Corrected

পৰা প্লেনৰ টকা আবণ্টন দিওঁতে কোৱাৰ্টাৰলি আবণ্টন দিব আৰু সেই টকা সেই সময়ৰ ভিতৰত বিভাগে ব্যয় কৰিব লাগিব। এই ক্ষেত্ৰত বিত্তবিভাগে ব্যৱস্থা গ্ৰহণ কৰিলেনে, এই কথাটো এই বাজেট ভাষণত উল্লেখ থাকিব লাগিছিলে কিন্তু এই কথাটো ভাষণত উল্লেখ নাই। আমাৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে আৰু এটা কথা কৈছিলে যে এম, এল, এ, লোকেল এৰিয়া ডেভেলপমেণ্ট ফাণ্ডৰ টকাৰ প্ৰথম কিষ্টিৰ পিছত ২য় কিষ্টি ছেপ্টেম্বৰ মাহত দিয়াৰ কথা আছিল, কিন্তু এতিয়ালৈকে আবণ্টন দিয়া নাই। কিছুদিন পিছত লোকসভা নিৰ্বাচনৰ নটিফিকেশ্যন হ'ব, কৰ্ট অব কণ্ডাক্ট লাগিব। তাৰ পিছত এই টকাখিনি ব্যৱহাৰ কৰিব পৰা যাব নে নাযায়। আগৰ বাজেট ভাষণত প্ৰতিশ্ৰুতি দিছিল যে প্লেনৰ টকা ১০৯ শতাংশ খৰচ কৰাৰ বাবে ব্যৱস্থা লোৱা হ'ব। এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিলে নে নাই বিত্তমন্ত্ৰী মহোদয়ৰ ভাষণত উল্লেখ নাই। ঠিক সেইদৰে আৰু বহুত প্ৰতিশ্ৰুতি আগৰ বাজেট ভাষণত আছিল। সেই প্ৰতিশ্ৰুতি কেইটামানৰ বাহিৰে বাকী প্ৰতিশ্ৰুতিসমূহৰ কোনো উল্লেখ এই বাজেট ভাষণত নাই। এ, আই, এফ, আৰ সংক্ৰান্তত যি প্ৰতিশ্ৰুতি আছিল তাৰ কোনো উল্লেখ নাই। বিভিন্ন ধৰণৰ উন্নয়নমূলক আঁচনিৰ কথা ঘোষণা কৰা হৈছিল কিন্তু কাৰ্যত ৰূপায়িত হ'লনে নাই তাৰ কোনা উল্লেখ নাই। যোৱা বছৰ অসমৰ চি, আৰ, ডি ৰেচিঅ' ৭ মানে ২০১২ চনৰ ছেপ্টেম্বৰ মাহৰ অসমৰ চি. আৰ. ডি অনুপাত আছিল ৪৬.৬ আৰু ৰাষ্ট্ৰীয় অনুপাত ৭৬.৫, এই ক্ষেত্ৰত যোৱা বাজেট ভাষণত এটা কথা উল্লেখ কৰিছিলে acquisition of land at the cost of Rs. 32 crore CD Ratio in September 2012 46.6 as against National average of 76.5.

There is 1st gap in CD ratio. ৰাষ্ট্ৰীয় অনুপাতৰ লগত সমতা স্থাপনৰ বাবে ৰাজ্যখনত ৬৫০ টা বেংকৰ ব্ৰাঞ্চ খুলিব লাগিছিল। In terms of national bank ratio there is a shortfall of 650 bank branches. Accordingly to bridge this gap as a first step it was decided to set up 200 bank branches in 2013-14. CD ratios in South is more than 100. এই ৰাষ্ট্ৰীয় অনুপাত আৰু আমাৰ ৰাজ্যখনৰ অনুপাতৰ মাজত যি এটা ২০ পাৰচেণ্ট গেপ এই গেপ নাইকীয়া কৰিবৰ কাৰণে অসমত ২০০ টা বেংক ব্ৰাঞ্চ খুলিবৰ কাৰণে বিত্তমন্ত্ৰীৰ ভাষণত উল্লেখ কৰিছিল। কিন্তু কিমান বেংকৰ ব্ৰাঞ্চ খুলিলে। আমাৰ ৰাজ্যখনত বেংকবিলাকে ৪৬ শতাংশ খৰচ কৰি বাকীখিনি ৰাজ্যৰ বাহিৰত খৰচ কৰে।

মাননীয় বিত্তমন্ত্ৰীৰ ভাষণৰ প্ৰস্তাৱ ভাল বুলি কোৱা নাই। ডিপজিত আছে। সেইবিলাক আন্তঃ গাঁঠনিৰ ক্ষেত্ৰত ৰূপায়িত কৰিব পৰা নাই। গতিকে মই বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে বেংকিঙৰ ডিপজিত আন্তঃগাঁঠনিৰ ক্ষেত্ৰখনৰ সুসংগত ব্যৱস্থা লয়।

এতিয়া মই আৰু এটা কথা ক'ব বিচাৰিছো। আমাৰ স্বাস্থ্য বিভাগৰ বহু টকা আহিছে। বহু আন্তঃগাঁঠনি হৈছে। বৰপেটা, তেজপুৰত মেডিকেল কলেজ হৈছে। ভাল হৈছে। চাৰ, মই বৰপেটাত গৈছিলো, গৈ শুনিবলৈ পালো যে এবাৰ ৰোগী মেডিকেললৈ যায়। এনে দৃষ্টান্ত আছে যে "আপোনালোকে গুৱাহাটীলৈ লৈ যাওক। বৰপেটালৈ গৈ লোকেলখিনিৰ পৰা যি ধৰণে এই কথা গম পালো আন্তঃগাঁঠনিৰ বিকাশৰ বাবে প্ৰয়োজন আছে।

বৰপেটা চিকিৎসালয় সম্পৰ্কত ক'ব পাৰো যে আমি আন্তঃগাঁঠনি কৰিছো যদিও চিকিৎসা ভাল নহয়। যেনে ধৰণৰ চিকিৎসাৰ প্ৰয়োজন সেই সুবিধা নাই। ৰোগী যোৱাৰ লগে লগে কয় ইয়াত অপাৰেচন নহ'ব। গুৱাহাটীলৈ লৈ যোৱা। চিকিৎসক ষ্টাফ আদি লাগে কিন্তু কোনো ব্যৱস্থা কৰা নাই। ইয়াৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে তাক জনালে ভাল পাম। আজি আমি টকা বহুত খৰচ কৰিছো। হস্পিতাল চাব-চেণ্টাৰ আদি বহুত কৰিলো কিন্তু যিখিনি সুবিধা থাকিব লাগিছিল সেই ব্যৱস্থা চৰকাৰে দিব পৰা নাই। আমাৰ ৰাজ্য চৰকাৰৰে পোৱা নাই। মই মানি লৈছো যে ৰেটবিলাক বাঢ়ি থাকে। মাননীয় স্বাস্থ্যমন্ত্ৰীয়ে কৈছে মডেলিটি ৰেট ২০০৪ চনত ৬৪ ভাৰতত ৫৩। এতিয়া কথাটো হৈছে আমাৰ নেচনেল এভাৰেজৰ সেই একে পৰিমাণে যদি বাঢ়ি যায় আমি সদায়ে নেচনেল বঢ়াব পাৰিম। স্বাস্থ্য বিভাগে এইটো কৰা উচিত এটা বছৰত দি ৩ কমে আৰু ৫ কমাব লাগিব। তেতিয়া ৰাজ্যখনত এভাৰেজ ৰক্ষা কৰিব পৰা যাব। আমি বহুত আন্তঃগাঁঠনি প্ৰস্তুত কৰিলো কিন্তু আমি যিবিলাকত গুৰুত্ব দিব লাগে সেইবিলাকত গুৰুত্ব দিয়া নাই। এই বিষয়ে স্বাস্থ্য বিভাগৰমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। এই কথাবিলাক যাতে সোণকালে ব্যৱস্থা লয়। অসমৰ বাহিৰে বাকী ৰাজ্য যেনে মণিপুৰ ত্ৰিপুৰা, মিজোৰাম এই বিলাক ৰাজ্যত কিন্তু ১৮/২০/২৮।

এইবিলাক কথাৰ ওপৰত প্ৰকৃততে গুৰুত্ব দিব লাগে। এইবিলাকৰ যাতে সোনকালে ব্যৱস্থা লয় তাৰ কাৰণে মন্ত্ৰীমহোদয়ক অনুৰোধ জনালো। অধ্যক্ষ মহোদয়, মই সিদিনা কৈছিলো আমাৰ যিমান মাটি আছে খেতি পথাৰ আছে

সেই পথাৰৰ ৩০ শতাংশ খেতিপথাৰতে জলসিঞ্চনৰ ব্যৱস্থা আছে। যিমান জলসিঞ্চনৰ ব্যৱস্থা আছে কিন্তু আজি এই আঁচনিসমূহ কাৰ্যকৰি হৈ আছেনে নাই। ফেব্ৰুৱাৰী মাহত মন্ত্ৰী মহোদয়ে জনাইছিল ২০১১ আঁচনিৰ বহু মেচিন মেৰামতিৰ অভাৱত পৰি আছে। মোৰ সমষ্টিতে এনে বহু প্ৰজেক্ট আছে কিন্তু সময়মতে পানী পোৱা নাই। এইবাৰ বাজেটত মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা উল্লেখ কৰিছে বিহুলৈ ২ মাহ সময় আছে। মুখ্যমন্ত্ৰী মহোদয়ে দৰিদ্ৰ লোক সকলক বিহুত কিছু ধন দিবলৈ প্ৰস্তাৱ আগবঢ়াইছে। এইখন ১৪/১৫ ত আৰম্ভ হ'ব। এপ্ৰিলত দিব পৰা হ'বনে নহয়। কাৰণ কথাটো হৈছে এপ্ৰিল মাহৰ শেষৰ ফালে নিৰ্বাচন অনুস্থিত হ'ব। মাৰ্চত অধিসূচনা জাৰি কৰিব। গতিকে বিহুৰ আগত এইটো দিব পাৰিবনে নাই। বিহুৰ আগতে দৰিদ্ৰ লোকসকলক চিনাক্ত কৰিব পৰা হ'বনে? প্ৰকৃততে দৰিদ্ৰ কোন?

তেওঁলোকে বাজেটৰ প্ৰতিশ্ৰুতি মতে অসমৰ দৰিদ্ৰই অভাৱগ্ৰস্ত ঠাইত সুবিধা পায় বুলি কৈছে। এতিয়া কথাটো হৈছে দৰিদ্ৰই পাইছে নেকি? দৰিদ্ৰৰ অভাৱ নাই। আমিও দৰিদ্ৰত পৰিম নেকি? নে অসমৰ গাঁৱত নাই। কিছুমান ঠাইৰ কথা চালে সেইটো জনাত সুস্পষ্ট হয়। মাজে মাজে সামগ্ৰী দিয়ে। আঠুৱা দি আছে। আঠুৱা বিতৰণত আমাৰ লিডাৰে পায়, মই পাইছো, মোৰ পৰিয়ালে পাইছে। কিন্তু মই ভাৱো কিয় দুখীয়াই পোৱা নাই। এইটো সৰ্বসাধাৰণে পোৱাৰ কাৰণে মই অনুৰোধ কৰিম আৰু মই এইটো বিত্তীয় মন্ত্ৰী মহোদয়ক এই আঁচনি জনাই মোৰ বক্তব্য সামৰিছোঁ।

(মাননীয় উপাধ্যক্ষ আসনত বহে।)

* **শ্ৰীমনোৱাৰ হুছেইন ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২০১৪ চনত বহু কোটি টকা বাজেটত দাখিল কৰিছে। এতিয়া তেখেতে বাজেটৰ সময়ত যি বক্তব্য ৰাখে এই পৱিত্ৰ সদনত মই ভাৱো সেই কথাবোৰ যাতে ঘোষণা হয়। এই ঘোষণাবোৰ যাতে এই প্ৰতিশ্ৰুতিৰ ফালে যাতে বাস্তৱত ৰূপায়িত হয়। এই বাজেটৰ মূলতে এই গোটেই বস্তু আহিছে। এতিয়া আমি এটা কথা উল্লেখ কৰিম। যোৱাবাৰ আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে ১০০ কোটি টকা দিয়াৰ কথা ঘোষণা কৰিছিল। ক'ৰবাত কাম হৈছে। ক'ৰবাত কাম হোৱা নাই। এতিয়া আমাৰ কথা হ'ল যাতে পৰিস্থিতি ভাল হয়। মোৰ বক্তব্য হৈছে যে অসমত প্ৰাথমিক শিক্ষাৰ অগ্ৰাধিকাৰ দিয়া হৈছে। আমাৰ অসমত প্ৰাইমাৰী কৰা হৈছে, সিমানেই ধনী ল'ৰা-ছোৱালীৰ অভিভাৱক আছে। গাঁও অঞ্চলবোৰত শ শ হাজাৰ হাজাৰ প্ৰাইভেট্ স্কুল হৈ আছে। অৰ্থাৎ আমাৰ এল, পি স্কুলবিলাকত ভাল শিক্ষা দিয়া হয়। শিক্ষাত ইন্সপেক্টৰ দিয়া হ'ল, ভাল ভাল বিল্ডিং কৰা হ'ল কিন্তু মই লক্ষ্য কৰিছো এই বিষয়ে চৰকাৰে গুৰুত্ব দিব লাগিব নজৰ দিব লাগিব। সাধাৰণতে গাঁও অঞ্চলত এই শতকৰা ৯০ ভাগ হৈ গৈছে। প্ৰায় শিক্ষাৰ ব্যৱস্থা আছে। গতিকে চৰকাৰে আমাৰ বছৰে বছৰে প্ৰায়েই সঠিক শিক্ষাৰ খুব নজৰ দিব লাগিব। চৰকাৰে গুৰুত্ব সহকাৰে ল'ব আৰু এটা বিষয় হৈছে যে অসমত যি ডাইনী হত্যা হ'ল সকলো ঠাইতে প্ৰচাৰ কৰি প্ৰেৰণ কৰা হয় আৰু সেইবিলাকত চৰকাৰে পুলিচ প্ৰশাসনৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসমত দিনক দিনে ডাইনী হত্যা,

* Speech not Corrected

মহিলাৰ ওপৰত শাৰিৰীক নিৰ্যাতন চলি আছে। গতিকে এই ক্ষেত্ৰত মই এটা পৰামৰ্শ দিব বিচাৰো যে পুলিচৰ দুটা ডইং কৰিব লাগিব। এটাই আইন শৃংখলা আৰু আন এটাই কোৰ্ট কছাৰীৰ দিশটো চাব লাগে। তেতিয়াহ'লেহে নাৰী নিৰ্যাতন, ডাইনী হত্যা, নাৰীক বহিঃ ৰাজ্যত বিক্ৰী কৰা আদি ঘটনা হ্ৰাস হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীফণী ভূষণ চৌধুৰী ডাঙৰীয়াই এটা কথা কৈ গৈছে যে যোৱা বছৰ যি কামৰ বাবে যিখিনি টকা আবণ্টন দিয়া হৈছিল সেইখিনি খৰচ কৰা হ'ল নে নাই তাৰ কোনো হিচাপ আমি নাপাওঁ। সেয়েহে আমি ভাবিছো যে আমাৰ অসমত এডমিনিষ্ট্ৰেটিভ ৰিফৰ্মচৰ অতি প্ৰয়োজন। এইখিনিতে মই পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ কথা ক'ব বিচাৰিছো। মই তেখেতৰ গুণাগুণ গাব খোজা নাই। তেখেতে গোটেই বছৰটোৰ বাবে এখন ৱৰ্ক কেলেণ্ডাৰ বনাইছে। ইয়াৰ বাবে প্ৰতিটো বিভাগৰ বিষয়াৰ ওপৰত দায়িত্ব অৰ্পণ কৰা হৈছে আৰু প্ৰতি তিনি মাহৰ মূৰে মূৰে কামৰ পৰ্যাললোচনা কৰা হয়। ইয়াৰ দ্বাৰা তাত এটা কৰ্ম সংস্কৃতি গঢ়ি উঠিছে। আমাৰ ইয়াতো মুখ্য সচিবৰ নেতৃত্বত এখন ৰৰ্ক কেলেণ্ডাৰ বনোৱাৰ অতি প্ৰয়োজন বুলি আমি ভাবো। উপাধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা ক'ব বিচাৰিছো যে মই এম, এল, এ হোৱাৰ পিছত এটা ২৫ লাখ টকাৰ এনুৱেল ফাণ্ড পাইছিলো। এই ফাণ্ডটো আছিল এটাৰ ৰাস্তাৰ বাবে। ৰাস্তাটো আছিল ৪ মিটাৰ বহল। কিন্তু ৪ মিটাৰ বহল কৰিলে ৰাস্তাৰ দুয়োফালে ঠাই নৈ যায়। তেতিয়া মই কাৰ্যবাহী অভিযন্তাক ক'লো এইটো কেনেকৈ বহল কৰিব পাৰি। তেতিয়া তেওঁ ক'লে যে ছাৰ আপুনি লিখি দিলে কৰিব পৰা যায়। কিন্তু, জে, ই জনে ৬ মিটাৰ বহল কৰিব লাগে বুলি ভুলকৈ লিখিলে। তাৰ পিছত যেতিয়া চীফ ইঞ্জিনিয়াৰৰ তাত গৈ গম পালো যে ৰাস্তাটোৰ বহল ৭ মিটাৰ বা ৫.৫ মিটাৰৰ

হ'ব লাগে। এইখিনি কৰোঁতে দুই বছৰ হৈ গ'ল। অফিচৰ ৰঙাফিটাৰ মেৰপেচৰ বাবে দুই বছৰ পাৰ হ'ল। এইটো মাত্ৰ এটা উদাহৰণহে। সেই কাৰণে মই পৰমাৰ্শ দিব বিচাৰিছো যে প্ৰশাসনীয় ব্যৱস্থা অধিক খৰতকীয়া কৰিব লাগে আৰু বাজেটত আবণ্টন দিয়া টকা যাতে সঠিক সময়ত খৰচ কৰিব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰীৰঞ্জিত দাস ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যোৱাকালি যি লেখানুদান দাখিল কৰিছে সেই লেখানুদানত দুটা এটা কথাত সন্তুষ্টি লাভ কৰিলেও অধিকাংশ বিষয়তে আমি অসন্তুষ্টি প্ৰকাশ কৰিছো। অৰ্থাৎ এইটো আমি ল'ব পৰা নাই এই কাৰণেই যে যোৱাবাৰ বাজেট বক্তব্য যিখিনি কথা আছিল সেই একেখিনি কথা এই লেখানুদানত আমি দেখা পাইছো। ইয়াৰোপৰি যোৱাবাৰ যিবোৰ বিষয় নাছিল এইবাৰ সেইবোৰ ইয়াত সুমুৱাই দি চৰকাৰে কেৱল নিৰ্বাচনী বৈতৰণী পাৰ হ'ব বিচাৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কথা ক'ব বিচাৰিছো। ইয়াত ১৮ নং পৃষ্ঠাত লিখা আছে—জনসাধাৰণলৈ বিশুদ্ধ খোৱাপানী যোগান ধৰাটো মোৰ এক অগ্ৰাধিকাৰৰ বিষয়। আৰ্চেনিক আৰু ফ্ল'ৰাইডযুক্ত পানীৰ সমস্যাটো নিৰাময়ৰ বাবে পাইপেৰে যোগান ধৰা পানীৰ বহু সংখ্যক আঁচনি ৰূপায়িত হৈ আছে। কিন্তু কথাটো হৈছে পাইপেৰে পানী যোগান ধৰিলে সেই পানী আৰ্চেনিক আৰু ফ্ল'ৰাইডমুক্ত হোৱা বুলি কেনেকৈ ক'ব। আজি অসমৰ সকলো জিলাতে পানীত আৰ্চেনিক আৰু ফ্ল'ৰাইড থকা কথাটো প্ৰমাণিত হৈছে। যদি ব্ৰহ্মপুত্ৰৰ ভূ-পৃষ্ঠৰ

---

* Speech not Corrected

পানী ট্ৰিটমেণ্ট কৰি পাইপেৰে পানী যোগান ধৰা হয় তেতিয়া হয়তো মানুহে আৰ্চেনিক আৰু ফ্ল'ৰাইডমুক্ত পানী খাব পাৰিব। গতিকে এইখন যেতিয়া মানুহে পঢ়িব তেতিয়া হাঁহিব। আজি ইয়াত উগ্ৰপন্থী সমস্যা সমাধানৰ কথা কৈছে। আমি ভাল পাইছো। আজি আমি দেখিছো যে যিসকল উগ্ৰপন্থীয়ে অস্ত্ৰ ত্যাগ কৰিছে তেওঁলোকক খোল-তাল বজাই আদৰি আনিছো। কিন্তু এই সকল নেতা পতাৰ পিছত তেওঁলোকৰ যিবিলাক লিংকমেন আছিল তেওঁলোকে দেখিলে যে আমাৰ এতিয়া কি হ'ব। গতিকে তেওঁলোকেও এটা নতুন উগ্ৰপন্থী সংগঠনৰ জন্ম দিলে। আজি আমি দেখিছো যে যিবিলাক উগ্ৰপন্থী সংগঠনে অস্ত্ৰ সম্বৰণ কৰিছে তেওঁলোকক চৰকাৰে বিশেষ পেকেজ দিছে। এই কাৰণে আজি নতুন নতুন উগ্ৰপন্থী সংগঠনৰ জন্ম হৈ আছে। আজি চৰকাৰে অস্ত্ৰ ত্যাগ কৰা উগ্ৰপন্থীসকলক থকা-খোৱাৰ ব্যৱস্থা কৰি দিছে। উপাধ্যক্ষ মহোদয়, আমি জানো যে মানুহৰ স্মৃতি শক্তিৰ তিনি বছৰৰ পিছত ১ শতাংশহে মনত থাকে। আমি যিহেতু, আমাৰো তিনি বছৰৰ পিছত স্মৃতি শক্তি ১ শতাংশহে মনত থাকিব। গতিকে আজি উগ্ৰপন্থীসকলে অস্ত্ৰ ত্যাগ কৰি কি মূল সুঁতিলৈ উভতি আহিছে আমি একো বুজা নাই।

* **শ্ৰীনীলমনি সেন ডেকা (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীৰঞ্জিত দাসে খাৰ খোৱা অসমীয়া বুলি কৈ গোটেই অসমীয়া জাতিটোকে অপমান কৰিছে। গতিকে তেখেতে খাৰখোৱা শব্দটো উঠাই ল'ব লাগে।

* **শ্ৰীৰঞ্জিত দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই গৌৰৱেৰে ক'ব খোজো

---

* Speech not Corrected

যে মই অসমীয়া। কাৰোবাক যদি এই শব্দটোৱে অপমান কৰিছে মই উঠাই লৈছো। উদ্যোগসমূহৰ কথা কৈছে যে যিবোৰ উদ্যোগ বন্ধ হৈ আছে, সেইবোৰ পুনৰজীৱিত কৰাৰ কাৰণে ব্যৱস্থা লোৱা হ'ব। এই কথাটো আগৰ বাজেটতো আছিল, কিন্তু এতিয়ালৈকে কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নাই। মই বৰপেটাৰ মানুহ, বৰপেটাৰ কথাকে কৈছো যে বৰপেটাত উদ্যোগিক পাম নাই। বৰপেটাত এখন আতচবাজী গাঁও স্থাপনৰ কাৰণে পুঁজি যোগান ধৰা হ'ব বুলি আগৰ বাজেটতো কোৱা হৈছিল আৰু এইবাৰো কোৱা হৈছে, কিন্তু কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নাই।

উপাধ্যক্ষ মহোদয়, কৰ্মচাৰীসকলৰ বকেয়া ধন সম্পৰ্কে কৈছে যে কৰ্মচাৰীসকলক বকেয়া ধন দিবলৈ নাই। পিছত আকৌ গম পালো কৰ্মচাৰীসকলৰ বকেয়া ধন সম্পৰ্কে কৰ্মচাৰী পৰিষদৰ লগত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ আলোচনা হৈছে, কিন্তু এই বাজেটত বকেয়া ধনৰ কথা উল্লেখ নাই। ১০ খন আদৰ্শ ৰেচম গাঁও স্থাপনৰ কথা আগৰ বাজেটতো উল্লেখ আছিল এইবাৰ বাজেটততো উল্লেখ আছে। মোৰ সমষ্টিত নুনতোলা নামে গাঁওখন এখন আদৰ্শ গাঁও হিচাপে লোৱা কথা আছিল, কিন্তু এতিয়ালৈকে ইয়াৰ কোনো ব্যৱস্থা হোৱা নাই। ঠিক তেনেদৰে গাঁও পঞ্চায়তসমূহত মহিলা প্ৰতিনিধি ৫০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। গাঁও পঞ্চায়তৰ সদস্যসকলক কিবা মাননি দিয়াৰ কথা ঘোষণা কৰিছিল, কিন্তু তাৰ বাবে এই বাজেটত কোনো ধনৰ কথা উল্লেখ কৰা হোৱা নাই। আজি আমি দেখিছো যে কেইবাটাও বিত্তীয় কোম্পানীয়ে অসমৰ দুখীয়া-দুৰ্ভগীয়া মানুহৰ পৰা কেইবাকোটি টকা লুটি নিলে। এতিয়াও

এইবোৰ চলিয়ে আছে। অসমৰ পৰা কোটি কোটি টকা লৈ গৈ আছে, কিন্তু চৰকাৰে কোনো ব্যৱস্থা ল'ব পৰা নাই। আমাৰ মাননীয় কৃষিমন্ত্ৰী শ্ৰী নীলমণি সেন ডেকাৰো এনেকৈ টকা লুটি নিছে। যোৱা কালি টিভিত দেখিছো যে নগাঁৱতো এনেকুৱা ঘটনা ঘটিছে। এনেকুৱা ঘটনা ঘটিয়ে আছে কিন্তু চৰকাৰে কোনো বিহিত ব্যৱস্থা ল'ব পৰা নাই। আমাৰ চৰকাৰে বিহুৰ আগে আগে দুখীয়া-দুৰ্ভগীয়া মানুহখিনিক কিবা অনুদান দিয়াৰ কথা আছিল, কিন্তু একো দিয়া দেখা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমীয়া মানুহৰ ব'হাগ বিহুটো এটা জাতীয় উৎসৱ। এই কথাটো মই নক'লেও আমাৰ সদনৰ সকলো সদস্যয়ে ভালদৰে জানে। ব'হাগ বিহুত আমাৰ অসমীয়া সমাজত গামোচা দিয়াটো এটা পৰম্পৰা নীতি। বিহু বুলি আমি এখন গামোচা দিওঁ আৰু স্নেহ দিওঁ। মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেটৰ জৰিয়তে আমাৰ দুখীয়া মহিলাসকলৰ কোনো লাভ হোৱা নাই। এই দুখীয়া মহিলা বা শিপিনিসকলক আমাৰ চৰকাৰৰ ফালৰ পৰা দুখনকৈ গামোচা নিদি যিবিলাকৰ ঘৰত শাল নাই তেওঁলোকক দুখনকৈ গামোচা দিয়াৰ ব্যৱস্থা কৰে তেতিয়া হ'লে সেই মহিলাসকল উপকৃত হ'ব। উপাধ্যক্ষ মহোদয়, মই বিৰোধী দলৰ বিধায়ক হিচাপে কওঁ যে আমাৰ ৰাজ্যত চব কামেই বেয়া হৈছে তেনেকুৱা নহয়, মই আমাৰ পি, ডব্লিউ, ডি বিভাগৰ কথা কওঁ। গংগা নদীৰ ওপৰত যদি ৫৫ খন দলং নিৰ্মাণ কৰিব পাৰে তেনেহ'লে আমাৰ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ৪ খন বা ৫ খন দলং নিৰ্মাণ

কৰা হৈছে। মই বৰপেটা সমষ্টিৰ বিধায়ক হিচাপে মানহহৈ যোৱা ৰাস্তাটো আজিলৈকে ভাল নহ'ল। মই গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াক এই মানাহলৈ যোৱা ৰাস্তাটো বনোৱাৰ কাৰণে কেইবা বাৰো অনুৰোধ জনাইছো আজিলৈকে ইয়াৰ কোনো ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। উপাধ্যক্ষ মহোদয় মোৰ সমষ্টিৰ এজন বেংগলী ল'ৰাই হোৱা চাকৰি এটা ভোটৰ লিষ্টত নাম নথকাৰ কাৰণে চাকৰিৰ পৰা বঞ্চিত হ'বলগা হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি স্বাস্থ্য বিভাগৰ জৰিয়তে বিভিন্ন মোডেলৰ হস্পিতাল কৰিছে। সেই হস্পিতালবিলাকত ডাঃ নিযুক্তি দিব পৰা নাই। বাস্তৱ অৰ্থত মই অসন্তুষ্টি প্ৰকাশ কৰিছো যে এই বাজেটত মই শদিয়া আৰু ধেমাজিৰ জিলা উন্নয়নৰ বাবে ১০০ কোটি টকা আগবঢ়োৱা এটা বিশেষ পেকেজৰো প্ৰস্তাৱ আগবঢ়াইছে। ১০০ কোটি কিয় হাজাৰ কোটি টকা দি হ'লেও শদিয়া আৰু ধেমাজিৰ উন্নয়নৰ ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কওঁ যিবিলাকক সামগ্ৰী আন ৰাজ্যত নচলে এই সামগ্ৰীসমূহ বহিঃ ৰাজ্যৰ পৰা আমাৰ ৰাজ্যলৈ আহে। সেই সামগ্ৰীখিনিয়েই আমাৰ ৰাজ্যত চলে। উপাধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে মই এজন খাৰখোৱা অসমীয়া। মই সদনৰ সকলো সদস্যকে সন্মান জনাই মাননীয় মাননীয় মুখ্যমন্ত্ৰীৰ বাজেট ভাষণৰ ওপৰত মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* ডাঃ ভূমিধৰ বৰ্মন ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰীৰ বাজেট ভাষণৰ ওপৰত মই ক'বলৈ ওলাইছো যদিও এটা কথা মোৰ মনলৈ আহিছে সেইটো হৈছে বাজেটখন পূৰ্ণাংগ বাজেট নহয়। পূৰ্ণাংগ বাজেট হ'লে সন্তুষ্টি পালোহেঁতেন। আজি এই সদনত খাদ্যমন্ত্ৰী উপস্থিত আছে। আজি আমাৰ চৰকাৰৰ ফলাৰ পৰা ছয় টকাত চাউল দিয়া হৈছে। এই প্ৰচেষ্টাত ২৬.৫ লাখ মানুহ উপকৃত হৈছে। আৰু মই এটা কথা কওঁ যদি আমাৰ চৰকাৰৰ ফালৰ পৰা তিনি টকাত চাউল আৰু দুই টকাত ঘেহু দিয়া হয় তেতিয়াহ'লে ভাল হ'লহেঁতেন। বিপিএল কাৰ্ডৰ জৰিয়তে যোৱা বছৰলৈকে এই প্ৰচেষ্টা চলি আছিল। কিছুমান চাকৰিয়ালেও এই সুবিধাটো পাইছে। উপাধ্যক্ষ মহোদয়, এইটো কৰিবলৈ যোৱাৰ আগতে মই এটা কথা কওঁ যে যিবিলাক দুখীয়া গৰীৱ লোক আছে তেওঁলোকে যাতে এই ব্যৱস্থাৰ পৰা বাদ নপৰে তালৈ আমি লক্ষ্য কৰিব লাগিব। দৰকাৰ হ'লে আমি নতুন কমিটী গঠন কৰি হ'লেও এই কামটো কৰাৰ চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত মই এটা কথা কওঁ যে এজন মানুহেও এটা পৰিয়াল হৈ আছে। তেনেকুৱা লিষ্টো গম পাইছো। সেয়েহে, আমি বিধায়কসকলে এখন ৰিভিউ কমিটি গঠন কৰিব লাগে আৰু এই কমিটিৰ জৰিয়তে যাতে প্ৰকৃত গৰীৱ শ্ৰেণী বাদ পৰি নাযায় তাৰ কাৰণে নজৰ ৰাখিব লাগে।

উপাধ্যক্ষ মহোদয়, কিছুমান দুষ্ট চক্ৰৰ জৰিয়তে মেডিচিন হওক বা অন্যান্য সামগ্ৰীয়েই হওক কৃত্ৰিম নাটনিৰ সৃষ্টি কৰে। এইবিলাকৰ ওপৰত

---

* Speech not Corrected

কোনেও চকু নিদিয়ে। বস্তুবিলাক মজুত ৰাখি বস্তু মূল্য বৃদ্ধি কৰে। গতিকে আমি বিধায়কসকলে এই কথাবিলাকৰ ওপৰত নজৰ ৰাখিব লাগে আৰু তেওঁলোকৰ ওপৰত কঠোৰ শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা ল'ব লাগে। উপাধ্যক্ষ মহোদয়, মই চৰ অঞ্চলৰ বিধায়ক হিচাপে মই চৰ চাপৰি অঞ্চলৰ কথা কওঁ। চৰ অঞ্চলত লাখ লাখ মানুহে বসতি কৰে। চৰ অঞ্চলত বাস কৰা লোকসকল যথেষ্ট পিচ পৰি আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, চৰ উন্নয়নৰ কাৰণে আমাৰ মাননীয় উন্নয়ন মন্ত্ৰী মহোদয়ে চৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট কাম কৰিছে। ৰাস্তাৰ ক্ষেত্ৰতে কওক কাৰণ চৰ অঞ্চলত পি, ডব্লিউ বিভাগৰ পৰা কাম কৰিব নোৱাৰে কাৰণ এই এলেকাসমূহ পি, ডব্লিউ বিভাগৰ আণ্ডাৰত নপৰে গতিকে সেই অঞ্চলসমূহৰ পথ উন্নয়নৰ কাৰণে চৰ উন্নয়ন বিভাগে কৰিব লগা হয়। আগতে এই অঞ্চলত যাতায়াতৰ ব্যৱস্থা একেবাৰে বেয়া আছিল। এঠাইৰ পৰা আন এঠাইলৈ যাবলৈ চিন্তা কৰিব লগা হয়। কিন্তু মই মন্ত্ৰী হৈ থকাৰ সময়ত মই এই চৰ অঞ্চলৰ ৰাস্তাৰ কাম যথেষ্ট কৰিছো। এতিয়া আমাৰ চৰ উন্নয়ন মন্ত্ৰীয়ে এই অঞ্চলসমূহৰ উন্নয়নৰ কাৰণে যথেষ্ট কাম কৰিছিল। বানপানীৰ সময়ত চৰ অঞ্চলৰ মানুহৰ যথেষ্ট কষ্ট ভোগ কৰিব লগা হয়। কাৰণ বানপানীৰ সময়ত এই চৰ অঞ্চলৰ ৰাইজৰো অৱস্থা দেখিলে বৰ দুখ লাগে। এনেকুৱা এটা সময় আছিল যি সময়ত এই চৰ অঞ্চলসমূহ অতব্য জঙ্গল আদিৰে ভৰি আছিল। তাত মানুহ নাছিল। তেতিয়া বাংলাদেশৰ পৰা মানুহ আনি এই চৰ অঞ্চলসমূহ চাফা কৰিব লগা হৈছিল। তাৰ পিছতহে এই চৰ

অঞ্চলসমূহত খেতি আদি কৰিব পৰা ব্যৱস্থা হ'ল। আজি চৰ অঞ্চলত খেতিৰ যথেষ্ট উন্নতি হোৱা দেখিবলৈ পাইছো। আজি মৰাপাটৰ খেতি চৰ অঞ্চলতহে যথেষ্ট হোৱা দেখা যায়। এই ক্ষেত্ৰত চৰ উন্নয়ন মন্ত্ৰীৰ লগতে কৃষিমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো।

নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যথেষ্ট কৰিছে। বহুতো নিবনুৱা যুৱক-যুৱতীক চাকৰি দিছে। আমাৰ চৰকাৰৰ আগত চৰকাৰী চাকৰি নিয়োগ বন্ধ আছিল। আমাৰ চৰকাৰ আহি এই বন্ধ খুলি দিয়ে। এই ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগিব। এক লাখ বৰ্তমান খালী আছে, এই খালী পদসমূহ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পূৰণৰ বাবে নিৰ্দেশ দিছে। নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যথেষ্ট আঁচনি হাতত লৈছে। এতিয়া আগৰ নিচিনা শ্ৰমিকসকলে কাম বিচাৰি হাবাথুৰি খাব নালাগে। কাম কৰাৰ কাৰণে এতিয়া মানুহ বিচাৰি পাবলৈ নাই। প্ৰয়াত ইন্দিৰা গান্ধীৰ সময়তে এই শ্ৰমিকসকলক সকাহ বা কামৰ বাবে বহুতো আঁচনি তৈয়াৰ কৰিছিল। তেতিয়াৰে পৰা বিভিন্ন নামকৰণেৰে এই আঁচনিসমূহ প্ৰস্তুত কৰি শ্ৰমিকসকলক সুবিধা কৰি দিছে। এটাই মাত্ৰ অসুবিধা দেখা যায়। সেয়া হ'ল সময়মতে এই আঁচনিসমূহৰ টকা চেনচন যদিও হয় ৰিলিজ নহয়। যাৰ ফলত সময়মতে কামবিলাক কৰিবৰ বাবে অসুবিধা হয়। বিভিন্ন আঁচনিৰ টকাক সময়মতে নিদিলে সময়মতে কাম বিলাক হৈ নুঠে। যাৰ ফলত কোনো কোনো কাম বাৰিষাৰ আগতে কৰিব লগা হয়। বাৰিষা আহিলে ৰাস্তাৰ কাম কৰিব নোৱাৰে। গতিকে সময়ত যাতে বিভিন্ন আঁচনিৰ টকা বিলাক সময়মতে

ৰিলিজ হয় আৰু কামবিলাক কৰিব পাৰে সেইটো লক্ষ্য ৰাখিব লাগে। পথ নিৰ্মাণৰ ক্ষেত্ৰত বহুতো অসুবিধা আছে। যেনেদৰে কেতিয়াবা দেখা যায় এই পথসমূহ নিৰ্মাণৰ বাবে মাটি দৰকাৰ হয়, সেই মাটি যদি ওচৰত পোৱা নাযায় তেতিয়া দূৰৰ পৰা আনি হ'লেও পথসমূহ নিৰ্মাণ কৰিব লগা হয়। কিন্তু সেই মাটি আকৌ ঠেলাৰেহে আনিব লাগে, ট্ৰেক্টৰ ব্যৱহাৰ কৰিব নোৱাৰে সেইটো অসুবিধা আছে। কিন্তু এতিয়া প্ৰায়ে ট্ৰেক্টৰ ব্যৱহাৰ কৰা দেখা যায়। যদিও এলাও নাই তথাপিও ট্ৰেক্টৰ ব্যৱহাৰ কৰে।

স্বাস্থ্যৰ ক্ষেত্ৰতো আমাৰ চৰকাৰে যথেষ্ট আঁচনি হাতত লৈছে, যাৰ ফলত ইয়াৰ উন্নতি যথেষ্ট দেখা যায়। মই যেতিয়া স্বাস্থ্যমন্ত্ৰী আছিলো তেতিয়া মই বিভিন্ন আঁচনিৰ যোগেদি চিকিৎসালয়সমূহৰ উন্নতি লগতে মেডিচিনৰ ক্ষেত্ৰত যথেষ্ট কৰিছো। বৰ্তমান আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে বিভিন্ন আঁচনি হাতত লৈছে। এই আঁচনিসমূহৰ জৰিয়তে বেমাৰীসকলৰ সমস্যা সমাধানৰ বাবে ব্যৱস্থা হাতত লৈছে। সময় মতে মেডিচিনসমূহ চৰকাৰী হাস্পতালসমূহলৈ যায় ইয়াৰ বাবে কোনো অসুবিধা নাপায়। আজি আমাৰ দুখীয়া ভাইসকল বেমাৰ দেখুৱাবলৈ বাহিৰলৈ যাব নালাগে, আমাৰ ইয়াতে সকলোবোৰ চিকিৎসা সম্ভৱ হৈ উঠিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অসমত বিশেষকৈ গ্ৰাম্য অঞ্চল যিবিলাকত হস্পিতাল আছে সেই হস্পিতালবিলাকত মেডিচিনৰ ছাপ্লাইৰ পৰিমাণ বঢ়াব লাগে। অৱশ্যে বিগত চৰকাৰৰ দিনতকৈ আমাৰ চৰকাৰৰ দিনত হাস্পতালবিলাকৰ মেডিচিন ছাপ্লাই বাঢ়িছে। গাঁও অঞ্চলত দৰিদ্ৰ পৰিয়ালৰ

বহুতো মানুহ বসবাস কৰে। গতিকে তেওঁলোকে যাতে হস্পিতালবিলাকত বিনামূলীয়াকৈ মেডিচিন পায় তাৰ ব্যৱস্থা হস্পিতালবিলাকত ৰখা ভাল। অসমত প্ৰসূতিৰ মৃত্যুৰ হাৰ ২০০৪-০৬ বৰ্ষৰ ৪৮০ ৰ পৰা ২০১০-১২ বৰ্ষত ৩২৮ হৈ হ্ৰাস পাইছে, শিশুৰ মৃত্যুৰ হাৰ ২০০৫ চনৰ ৬৮ টাৰ পৰা ২০১২ চনত ৫৫ টালৈ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰীৰ ভাষণত উল্লেখ কৰিছে। এইটো বৰ ভাল কথা। আগতে গাঁও অঞ্চলত চিকিৎসাৰ অভাৱত বহুসংখ্যক প্ৰসূতিৰ মৃত্যু হৈছিল। তেতিয়া প্ৰসূতিবিলাক গাঁও অঞ্চলত 'বাঘনী' পৰহুতাত মৰা বুলি কৈছিল। আনহাতে পানী কেচুৱাবিলাক 'মৰকুইচাই' ধৰ মৰা বুলি গাঁও অঞ্চলত কৈছিল। কিন্তু এতিয়া অসমত প্ৰসূতি আৰু শিশুৰ হাৰ যথেষ্ট পৰিমাণে কমিছে। অসমত যিবিলাক মডেল হস্পিতাল আছে বা হ'ব সেই হস্পিতালবিলাকত বি, পি, এল মানুহৰ কাৰণে 'চিজাৰিন চেল' থকাৰ ব্যৱস্থা কৰিব লাগে। যাতে বি, পি, এল প্ৰসূতিসকলক তৎক্ষণাৎ ভৰ্তি কৰি সহজতে আপাৰেচন কৰিব পৰা যায়। মানুহ মৰে কিন্তু অসময়ত মৰিলে ভাল নহয়। এতিয়া সঁচাকৈয়ে আগতকৈ আমাৰ অসমত মানুহৰ মৃত্যুৰ হাৰ কমি গৈছে। মইও এসময়ত স্বাস্থ্যমন্ত্ৰী আছিলো। গতিকে মই স্বাস্থ্যৰ ক্ষেত্ৰত সদায় সজাগ। এতিয়া সেই কাৰণে আমি স্বাস্থ্যমন্ত্ৰীক এই ক্ষেত্ৰত ধন্যবাদ জনাব লাগে। গাঁও অঞ্চলৰ এফ, আৰ, ইউ, আৰু ৩০ খন বিচনাযুক্ত হস্পিতাল বিলাকতো 'চিজাৰিন' 'চেকচন' খোলাৰ ব্যৱস্থা কৰিব লাগে। যাতে গাঁও অঞ্চলত ডেলিভাৰী কেচ হ'লে সোনকালে সুবিধা ল'ব পাৰে। কেন্সাৰ এটা অতি জটিল বেমাৰ। এই বেমাৰ হ'লেই মানুহ মৃত্যু মুখত পৰে বুলি মানুহৰ মনত এটা ধাৰণা আছে। কেন্সাৰ বেমাৰ চিকিৎসাৰ কাৰণে গুৱাহাটীত বি, বৰুৱা কেন্সাৰ

হস্পিতালখন আছে। যদিও উন্নত চিকিৎসাৰ বাবে মানুহে ভেলোৰলৈ যায়। কিন্তু সৰ্বসাধাৰণ মানুহখিনিয়েতো ভেলোৰলৈ চিকিৎসাৰ বাবে যাব নোৱাৰে। গতিকে উন্নত চিকিৎসাৰ বাবে যাতে সৰ্বসাধাৰণ মানুহখিনিয়ে ভেলোৰলৈ নগৈ অসমতে চিকিৎসা কৰিব পাৰে বাবে অসমত কেন্সাৰ বেমাৰ চিকিৎসাৰ বাবে উন্নত ব্যৱস্থা তথা আৰু এখন হস্পিতাল স্থাপন কৰিলে বৰ ভাল হয়। আজিকালি বহুতৰে 'ডাইবেটিছ' বেমাৰ হোৱা দেখা যায়। বৰ্তমান মানুহবিলাক স্বাস্থ্যৰ প্ৰতি অতি সচেতন। সেই কাৰণে আজিকালিৰ মানুহবিলাকে মিঠা নাখায়, বিনা চেনিৰ চাহ খায়। ডাইবেটিছৰ পৰা গৈ এটা সময়ত 'কিডনি' বেয়া হয়। কিডনি বেমাৰৰ চিকিৎসাটো অতি খৰচি। এই চিকিৎসা সৰ্বসাধাৰণ মানুহে কৰাতো বৰ কঠিন। কিডনি বেমাৰৰ চিকিৎসাৰ কাৰণে চেন্নাইলৈ যাব লাগে। কিন্তু ধনী মানুহবিলাকেহে চেন্নাইলৈ চিকিৎসাৰ বাবে যাব পাৰে যদিও আমাৰ সৰ্বসাধাৰণ বি, পি, এল শ্ৰেণীৰ মানুহখিনিয়ে যাব নোৱাৰে। গতিকে কিডনি চিকিৎসাৰ বাবে উন্নত চিকিৎসাৰ সুবিধা কৰিলে ভাল হয়। এই ক্ষেত্ৰত যাতে যাৱতীয় ব্যৱস্থা ল'ব পাৰে তাৰ কাৰণে মই স্বাস্থ্যমন্ত্ৰীৰ লগত অসম চৰকাৰক অনুৰোধ জনাব বিচাৰো।

মাননীয় উপাধ্যক্ষ মহোদয়, ভাল চিকিৎসা হ'লে ময়ো চিকিৎসা কৰিব পাৰিম। আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ে বহুত কৰিছে আৰু ভাল হ'ব লাগে। কিডনিৰ ট্ৰেন্সফাৰৰ ক্ষেত্ৰত এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ডাইবেটিছ হ'লে কিডনি বেয়া হৈ যায়। কিডনি বেয়া হৈ বহুত ডেকা ল'ৰা মৰি আছে। গতিকে এই কামটো কৰিব লাগে। হয়তো কৰবাত এটা দুটা হৈছে, কিন্তু

প্ৰেক্টিকেলি হোৱা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে ডাইবেটিছ্ বেমাৰটোৰ চিকিৎসাৰ এটা সুব্যৱস্থা গ্ৰহণ কৰে। মাননীয় উপাধ্যক্ষ মহোদয়, মই এতিয়া বিদ্যুৎ সম্পৰ্কত দুটামান কথা কম। বিদ্যুতৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বহুত কামে কৰিছে সঁচা কিন্তু মই ট্ৰেন্সফৰ্মাৰৰ বিষয়ে ক'ব বিচাৰিছো। ট্ৰেন্সফৰ্মাৰৰ ক্ষেত্ৰত দাতাই দিলেও বিধাতাই নিদিয়াৰ নিচিনা হৈছে। এশটাৰ ঠাইত এহেজাৰ হৈছে গতিকে ১৬ কেভি বা ২৫ কেভিত সেইবোৰ নচলে। থিমিক ধামাককৈ চলে। গতিকে কম পোহৰত ল'ৰা-ছোৱালীয়ে পঢ়া-শুনা কৰিব নোৱাৰে। কম পোহৰত পঢ়া-শুনা কৰিলে চকুৰ বেমাৰ হয়। এম, এল, এ সকলৰ পৰা দিব লাগে বুলি কয়। যদি আমি এম, এল, এ সকলৰ পৰাই দিব লাগে তেন্তে ট্ৰেন্সফাৰটোও আমিয়েই দিব লাগে। সকলো ক্ষেত্ৰত যদি আমি এম, এল, এ সকলে দিব লাগে এইটো কেনেকৈ হ'ব। বিদ্যুতৰ ক্ষেত্ৰত বহুত কাম হৈছে সেইটো অস্বীকাৰ নকৰো। গতিকে ট্ৰেন্সফাৰৰ ক্ষেত্ৰত কিছু ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, নিৰনুৱা সমস্যাৰ ক্ষেত্ৰত অলপ ক'ব বিচাৰিছো। মই পশুচিকিৎসা আৰু পশুপালনমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, যিহেতুকে মানুহ জীয়াই থকাৰ কাৰণে প্ৰটিনৰ প্ৰয়োজন। প্ৰটিন পাবলৈ মাছ, মাংস কণী আদিৰ প্ৰয়োজন সেয়েহে পতিত মাটিবিলাকত পুখুৰী খণ্ডাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মৰা নদীসমূহত আৰু আহোম ৰজাৰ দিনৰ যিবোৰ ডাঙৰ ডাঙৰ পুখুৰী আছে সেইবোৰত মাছ পোহাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই ক্ষেত্ৰত নাবাৰ্ডে পইচা দিছে সঁচা কিন্তু এই কথাটোও মন্ত্ৰী মহোদয়ে চাব লাগে যে এই টকাটো সঠিক ভাৱে ব্যৱহাৰ হৈছে নে নাই। কাম ভাল হৈছে নে নাই। উৎপাদন আমাৰ নবঢ়া

নহয়। উৎপাদন বাঢ়িছে আৰু বাঢ়িব লাগে। মাননীয় উপাধ্যক্ষ মহোদয় এই ক্ষেত্ৰত মই আৰু বেছি কথা নকওঁ। শিক্ষাৰ ক্ষেত্ৰত দুষাৰমান কথা ক'ব বিচাৰিছো। শিক্ষাৰ ক্ষেত্ৰত চমকপ্ৰদ উন্নতি হৈছে। ভূমি ৰাজহৰ ক্ষেত্ৰত ক'ব বিচাৰিছো যে আগেয়ে চিথা নম্বৰৰ কাৰণে মণ্ডলে ঘূৰাই থাকে, এতিয়া সেইবিলাক ভাল হৈছে। চাৰ্কোল অফিচবিলাকত মানুহ কম আছে, এইবোৰ কম্পিউটাৰাইজ হ'ব লাগে। তেতিয়ায়হ'লে অধিক সুফল পোৱা যাব। চাৰ্কোল অফিচবিলাকত এচ, ডি, চি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এ, পি, এচ, চিৰ পৰা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মই ভাল পাইছো গুৱাহাটীত মাটি দিয়াৰ ব্যৱস্থা কৰিছে। মই আদৰণি জনাইছো। পাৰ্লণ্টোৰী ইলেক্‌চনৰ আগত্তে এই কাম যাতে হৈ যায় তাৰ কাৰণে মই অনুৰোধ কৰিছো। বিলৰ পাৰত থকা মাছমৰীয়া ভাইসকলৰ কাৰণে আমি বচাব লাগে। তেওঁলোকক সমবায় কৰি দিব লাগে যাতে অন্য কোনোবাই দুই নম্বৰি কৰিব নোৱাৰে। ধৰক, মই ভূমি বৰ্মন, মই মাছৰ ব্যৱসায় কৰি আছো, অন্য কোনোবা এজনে নমোশুদ্ৰ নাম লৈ মাছৰ ব্যৱসায় চলাই আছে। গতিকে এইটো যাতে বন্ধ হয় তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। যাতে প্ৰকৃত মাছমৰীয়াই পায় সেইটো চাব লাগে। দুই নম্বৰী যাতে কোনোৱে কৰিব নোৱাৰে। মাছমৰীয়াসকলৰ অৱস্থা আমি সকলোৱে দেখিছো, এই ক্ষেত্ৰত তেওঁলোকৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই পশু-পালন বিভাগৰ বিষয়ে এটা কথা ক'বলৈ ওলাইছো যে আজিকালি মানুহে গৰু পুহিব নোৱৰাত পৰিছে। কাৰণ চাপৰৰ দাম ইমান বেছি হৈছে পশু-পালকৰ বাবে এয়া কিনাতো সম্ভৱ নহয়।

ফলত গৰু পুহা বাদ দিছে। মই ভাল পাইছো আমাৰ মাননীয় পশুপালন মন্ত্ৰী মহোদয়ে পশু খাদ্য উৎপাদনৰ ব্যৱস্থা কৰিছে। কিন্তু আৰু উৎপাদন বঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে আৰু তাক এটা ৰিজনেবোল দামত পশুপালকক যোগান ধৰিব লাগে। ৭০০ টকা দামত চাপৰ কিনি কেনেকৈ গৰু পুহিব। মোৰো নিজৰ গৰু আছে মোৰো চাপৰৰ দামৰ কাৰণে গৰু পোহাই দিগদাৰ হৈছে। আন পশুপালকসকলৰতো কথাই নাই। তেওঁলোকৰ কিমান অসুবিধা হৈছে। গৰু পুহিলেহে গাখীৰ পোৱা যাব। গাখীৰ অতি পুষ্টিকৰ খাদ্য। আমাৰ জীৱনৰ পুষ্টিৰ বাবে গাখীৰ লাগিবই গতিকে উৎপাদন বঢ়াই পশুখাদ্যৰ দাম কমাই পশু পালকক যোগান ধৰিব লাগে। ৰ২ আৰু বেছি নকওঁ ইয়াকে কৈ মই মোৰ কৰ্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ ঃ প্ৰশান্ত ফুকন ডাঙৰীয়াই কওক।

*** শ্ৰী প্ৰশান্ত ফুকন ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি ১৬০ দিনৰ যিখন বাজেট আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডা-ডাঙৰীয়াই সদনৰ মজিয়াত উৎখাপন কৰিছিল তাত বহুতখিনি কথা অনা হৈছিল যদিও কেইটামান গুৰুত্বপূৰ্ণ কথা সংযোজন নকৰাকে থাকি গৈছে। মানে কথাটো এনে হৈছে যেন আগফালে মাৰো ডাং পিছফালে হেবাং-বাং। অৰ্থাৎ খোলা। প্ৰথমে মই বাজেটখনৰ ক্ষেত্ৰত দুটামান গুৰুত্ব পূৰ্ণ কথা ক'বলৈ ওলাইছো। আমাৰ ৰাজ্যখনৰ বেলেগ ৰাজ্যৰ লগত চাৰিসীমা আৰু বিভিন্ন দেশৰ লগত যিবিলাক চাৰিসীমা আছে সেই বিলাকৰ ক্ষেত্ৰত কটকটীয়া ভাৱে নিৰ্দ্ধাৰণ কৰিব লাগে

---

* Speech not Corrected

আৰু ভাল ভাবে চাৰ্ভে কৰি সুন্দৰ ভাবে বেৰা দিব লাগে। তাৰ ব্যৱস্থা কৰিব লাগে। তেনে নকৰিলে বিহালীৰ ঘটনাৰ যে পুনৰাবৃত্তি নহ'ব তাৰ কোনো নিশ্চয়তা নাই। কিন্তু বাজেটত এই গুৰুত্বপূৰ্ণ বিষয়টোৰ কোনো উল্লেখেই নাই। এই জ্বলন্ত সমস্যাটোৰ প্ৰতি গুৰুত্ব দিব বাজেট সোমালে ভাল পালোহেঁতেন।

মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰত্যেক সদস্যসকলে গম পাইছে যে বাজেটত বিহুৰ আগতে মাননি দিয়াৰ ব্যৱস্থা দুখীয়াক কৰা হৈছে। মই ক'বলৈ ওলাইছো যে এইটো ৰেকটিফিকেচন হ'ব লাগে এইখিনি কোন মানুহে পাব বি পি এল নে। এইটো ফট্‌ফটিয়া ক্লিয়াৰ কৰিব লাগিব, নহ'লে আঁচনিখন ইলেকচনৰ কাৰণে কৰাৰ দৰে হ'ব। গতিকে সকলোখিনি বুজি গমি চাই সদনে বিহিত ব্যৱস্থা ল'ব বুলি মই আশা কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া শিলচৰলৈ যাওঁতে ১০০০ কোটি ঘোষণা কৰিছিল। ধেমাজিলৈ যাওঁতে ১০০ কোটি ঘোষণা কৰিছিল। কিন্তু ঘোষণা মতে কাম হ'লনে নাই একো গম পোৱা নগ'ল। সেই কাৰণে এই বাজেট ঘোষণা মতে ১৬০ দিনৰ ভিতৰত কিমান কাম হ'ব সেই সন্দেহৰ কথা। গতিকে ঘোষণা কৰিলেই নহ'ব তাৰ কাৰ্যকাৰিতা সম্বন্ধে বিহিত ব্যৱস্থা ল'লে ভাল হ'লহেঁতেন। মাননীয় উপাধ্যক্ষ মহোদয় মই চাহ বাগিচাৰ মহিলাসকলৰ বিষয়ে ক'বলৈ ওলাইছো। চাহ বাগানত কাম কৰা যিসকল মহিলা আছে তেওঁলোকে গৰ্ভধাৰণ কৰিলে চাহ বাগানৰ এটা নিয়ম আছে লগে লগে চুটি দিয়ে কতৃপক্ষও। কিন্তু সেই কাম বহুতো মহিলাই গৰ্ভধাৰণ হৈছে বুলি কতৃপক্ষক নজনাই কাম কৰি যায়।

ফলত যেতিয়া তেওঁলোকে চুটি পায় তেতিয়ালৈ তেওঁলোকে পুষ্টিহীনতাত ভোগে আৰু ৰক্তহীনতাত ভোগে আৰু মৃত্যু মুখত পৰে। চাহবাগান অঞ্চলত এই মৰটেলিটিতো বৃদ্ধি পাই আহিছে। তেওঁলোকক কৰ্তৃপক্ষই চুটি দিয়াৰ ব্যৱস্থা কৰে যদিও সেই চুটি ল'লে মজুৰিবিহীন ভাবে থাকিব লাগে। ফলত মহিলাসকলে গৰ্ভধাৰণ কৰিছে বুলি কতৃপক্ষক সহজে নজনায়। গতিকে চৰকাৰে বাগান কতৃপক্ষক গৰ্ভধাৰণ কৰা বাগানত কাম কৰা মহিলাসকলক মজুৰিৰ সৈতে চুটি দিয়াৰ ব্যৱস্থা কৰিবলৈ ক'ব লাগে। মই চৰকাৰি ব্যৱস্থাৰ বিষয়ে পলিচীৰ বিষয়ে কথা ক'বলৈ ওলাইছো। চৰকাৰী ব্যৱস্থাত ফাইলৰ মেৰ - পাচত কাম বহুত দূৰ হয়। ফলত ডেভলেপমেণ্ট দেৰি হয়। প্ৰপাৰলি কাম নহয়। ১২ কোটিৰ ৪০% কাম হয়। ইউটিলাইজেচন চাৰ্টিফিকেট দিয়াত টান হয়। কথাটো পৰিষ্কাৰ হ'ব লাগে। চৰ্ট ট্ৰামত হ'ব লাগে। চৰকাৰি কামৰ এটা ফাইল প্ৰথমে সহায়কৰ তাৰ পৰা অধ্যক্ষকলৈ যায় তাৰ পৰা অবৰ - সচিব, উপ-সচিব, সচিব আৰু কমিচনাৰলৈ যায়। ই এটা দীঘলিয়া প্ৰচেচ। এই চৰকাৰি প্ৰচেচটো সহজ আৰু সোনকালে কৰা ব্যৱস্থা কৰিব লাগে।

মই কৈছো যে পইচাৰে যদি গোটেই গুৱাহাটীখন ভৰ্তি কৰি দিলেও প্ৰশাসনিক সংস্কাৰ নহ'লে কেতিয়াও কোনো কাম নহয়। আমাৰ চৰাকৰী বিষয়াসকলৰ জৰিয়তে কামবিলাক কৰা হয়। যি কোনো এটা ফাইলৰ কাম তলৰ কৰ্মচাৰীয়ে ভৰ্তি কৰি অৱৰ সচিবলৈ দিয়ে। অৱৰ সচিবে বিষয়াজনলৈ এপ্ৰোভৰ কাৰণে পঠিয়ায়। যদি বিষয়াজন চাৰি দিনৰ কাৰণে ক'ৰবালৈ গুচি গ'ল তেতিয়াহ'লে সেই কামটো চাৰি দিন পিছপৰি যায়। আমাৰ আৰু এটা

ডাঙৰ কাম আছে, সেইটো হৈছে আমাৰ কামবিলাক চেণ্ট্ৰেলাইজ কৰিব লাগে। যি কোনো টাক মঞ্জুৰীৰ কাৰণে ফাইনেন্স ডিপাৰ্টমেণ্টলৈ পঠাব লাগে। আজি চৰকাৰে এক কোটি টকাৰ ঠাই এশ এক কোটি টকাৰ ব্যৱস্থা কৰক তেতিয়া এনেধৰণে কামবিলাক কৰিলে সোনকালে হ'ব। ডি চেণ্ট্ৰেলাইজ নকৰিলে সৰু সৰু যিবিলাক কণ্ট্ৰেক্টৰ আছে তেওঁলোক আজি দহ-বাৰ হাজাৰ টকাৰ কাৰণে বাহিৰৰ পৰা গুৱাহাটীলৈ আহিব লগা হয়। দহ-বাৰ হাজাৰ টকাৰ কাৰণে গুৱাহাটীলৈ যদি দুই-তিনিবাৰ আহিও কামটো নহয় তেতিয়াহ'লে তেওঁলোক উগ্ৰপন্থী দললৈ ধাৱমান হোৱা দেখা যায়। ই এটা মহান নিদৰ্শন। উপাধ্যক্ষ মহোদয় আমাৰ অসমখন হৈছে খাৰুৱা তেল উৎপাদন থলী এই তেলৰ ৰয়েলটি হিচাপে শতকৰা ৮৫ ৰ পৰা শতকৰা ১০ তাৰ পিছত দেখা যায় শতকৰা ১৫ ভাগ। তাৰ পিছত সেইটোৰ ওপৰত ৰয়েলটি শতকৰা ৮০ তাৰ পিছত কমি গৈ শতকৰা ২০ ভাগ হয়গৈ। তেলৰ উৎপাদন অনুযায়ী ৰয়েলটি কেন্দ্ৰীয় চৰকাৰে বঢ়াব পৰা নাই। আজি গুজৰাট চৰকাৰে ও, এন, জি, চিৰ পৰা দহ হাজাৰ কোটি টকা ৰয়েলটি ল'বলৈ সক্ষম হৈছে। শতকৰা ৩০ ভাগ আমাৰ ৰয়েলটি পাব লাগে। কেন্দ্ৰীয় চৰকাৰে সোনকালে এই ব্যৱস্থা কৰিব লাগে নহ'লে অসুবিধা হ'ব। মই এই বাজেটত এটা প্ৰস্তাৱ দিছো লোকেল পলিচি কৰিব লাগে। তাত শতকৰা ৫০ ভাগ চাৰ্ভে কৰিব লাগে। এই চাৰ্ভে কৰিবৰ কাৰণে পঞ্চাশ লাখ টকা এই বাজেটত ধৰিলে উপকৃত হ'লহেঁতেন। মই গোটেই অসমৰ যাতায়তৰ কথা কওঁ যাতে কম সময়ৰ ভিতৰতে অসমৰ যিকোনো ঠাইৰ পৰা অতি কম সময়ৰ ভিতৰতে আহি গুৱাহাটী পাব পাৰি। সেই কাৰণে আমাৰ ৰাস্তা-ঘাট ভাল কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয় মই মাত্র আৰু এটা কথা কৈ সামৰিব খুজিছো সমবায় মন্ত্ৰী নাই ছাপলাই মন্ত্ৰী নাই আমাৰ দুখীয়া ৰাইজে কেনেকৈ লাঞ্চনা ভোগ কৰিব লগা হৈছে এইটো এটা গুৰুত্বপূৰ্ণ কথা হৈছে। উপাধ্যক্ষ মহোদয়,আজি সমবায় বিভাগৰ পৰা দিয়া চাউলৰ দাম হৈছে ৮ টকা। কিন্তু ৮ টকাৰ ঠাইত কোনোবাই ১২ টকা আকৌ কোনোবাই দহ টকা লয় কোনোবাই যদি এই কথা কয় তেতিয়া তেওঁলোকে কয় গাড়ী ভাৰা কোনে দিব। এই কথাবিলাক যদি আমাৰ ঊনাশীজন বিধায়কে চকু দিয়ে তেতিয়াহ'লে এনে নহয়। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণী মাৰিলো। ধন্যবাদ।

**শ্ৰী ইমানুয়েল মুছাহাৰী ঃ** মই এলানি কথা ক'ব বিচাৰিছো যে অসম হিমালয়ৰ পাছত, গতিকে সমগ্ৰ অসম ভৌগলিক দিশত জনগোষ্ঠীৰ ফালৰ পৰা উন্নতিৰ ক্ষেত্ৰত সমগ্ৰ ৰাজ্যখনে সমুচিত ব্যৱস্থা গ্ৰহণ কৰে। চৰকাৰৰ ফালৰ পৰা বিভিন্ন পলিচি গ্ৰহণ কৰা হয়। আমি বিভিন্ন সময়ত দেখা পাইছো যে পলিচিবিলাক আখৰে আখৰেহে পালন কৰে। আমি দেখা পাইছো কেন্দ্ৰীয় চৰকাৰে স্কীম দিছে। কিন্তু চাব ডিভিজনবিলাকত ১০% হে কাম হৈছে। অসমত বিভিন্ন ডেভেলপমেণ্ট কাউন্সিল আছে। চাৰিখন জিলাত এটা কাউন্সিল গঠন কৰা হ'ল। আজি অসমৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যোৱাবাৰ মুখ্যমন্ত্ৰীয়ে তাত আমাৰ বক্তব্য ৰাখিছে। অনুৰোধ জনোৱা হৈছে অহা বছৰ বিশেষকৈ জনগোষ্ঠীৰ কাৰণে যিমান কৰা হ'ব তাৰ কাৰণে কাউন্সিলে ভাল ব্যৱস্থা কৰিব। এটা কথা কাউন্সিল এৰিয়াবিলাক আমাৰ এম, এল, এ বিলাকে কৰিবলৈ বিচাৰিছে। স্কুল ইন্সপেক্টৰ বি, টি, চিত চাৰিজন কৰিছে।

তেনে ধৰণে প্ৰশাসনবিলাক বেছি বেছিকৈ বঢ়াই দিয়া হ'ল। যিবিলাক অভিযোগৰ কথা আছিল সেইবিলাক আজিলৈকে উঠা নাই। আজি বিশেষকৈ ক'ব লাগিব যে যিহেতু সমগ্ৰ উন্নয়ন নিৰ্ভৰ কি ধৰণে শিক্ষাৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ কি পলিচি আছে। অসমৰ ক্ষেত্ৰত যথেষ্ট ভাল হৈছে। শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়িছে। কিমান প্ৰভিনচিয়েলৰ অন্তৰ্গত স্কুল প্ৰভিনচিলে নহ'ল। চাব-ডিভিজন এৰিয়াত চৰকাৰী কলেজবিলাক স্থাপন কৰিছে কিহৰ ওপৰত সেইবিলাক প্ৰশাসনে ঠিক কৰিছে সেই বিলাকৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা হয় তেতিয়া ভাল হয়। উদাহৰণস্বৰূপে মোৰ সমষ্টিৰ তামুলপুৰ সমষ্টিৰ চাব-ডিভিজনত প্ৰভিনচিয়েলাইজড কলেজ নাই। অপেন স্কুল-কলেজ হ'ব সেই বিষয়ত চৰকাৰে কনকাৰেন্স দিব। স্বাস্থ্যৰ উন্নয়নৰ ক্ষেত্ৰত বহুত ভাল হৈছে মেডিকেল স্থাপন কৰা হৈছে। লাইচেন্সবিলাক নিজে দিয়া ভাল কৰপোৰেচন গঠন কৰা হ'ব। শিশু আৰু মহিলাৰ ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপৰ প্ৰয়োজন। কৃষিৰ ক্ষেত্ৰত স্কীম আছে। ডি, চিৰ জৰিয়তে মনিটৰিং কৰা হয় এই ব্যৱস্থাসমূহ যাতে ফলপ্ৰসু হয়। জনগোষ্ঠীয় মহিলা আৰু শিশুৰ ক্ষেত্ৰত সমগ্ৰ অসম আগবাঢ়ি যাব লাগে।

মাননীয় অধ্যক্ষ মহোদয় ২০১৪-২০১৫ বৰ্ষৰ অন্তৰ্বৰ্তীকালীন বাজেট আলোচনাত অংশগ্ৰহণ কৰিব দিয়া কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। অসম উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য আৰু আন্তৰাষ্ট্ৰীয় সীমামূৰীয়া এখন ৰাজ্য। নাগালেণ্ড, অৰুণাচল ৰাজ্যৰ লগত সীমা বিবাদ চলি আছে, থিক তেনেকৈ ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ লগতো বিশেষকৈ বাংলাদেশৰ লগত সীমা আৰু

জনপ্ৰব্ৰজনৰ ক্ষেত্ৰত বিবাদ দেখা যায়। কেৱল এয়াই নহয় বিভিন্ন জনগোষ্ঠীৰ বাসস্থান অসম আৰু ইয়াৰ লগতে গোষ্ঠীগত সংঘৰ্ষ মাজে মাজে দেখা যায়। বিশেষকৈ ২০১২ চনৰ বড়ো আৰু বাংলাদেশী অনুপ্ৰৱেশকাৰী মুছলমান সম্প্ৰদায়ৰ মাজত হোৱা সংঘৰ্ষই যথেষ্ট ক্ষতি কৰিছিল। মুখ্যমন্ত্ৰী অন্তৰ্বৰ্তীকালিন বাজেটত বিত্তমন্ত্ৰী ডাঙৰীয়াই যি লেখানুদান দাখিল কৰিলে ই নিশ্চয় প্ৰশংসাৰ যোগ্য। বিশেষকৈ তেখেতৰ বাজেট প্ৰসংগত অসমৰ থলুৱা জনগোষ্ঠীক আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক ভাবে প্ৰতিৰক্ষা দিবৰ কাৰণে এক ব্যৱস্থা প্ৰতিফলিত হৈছে। ২০১৪-১৫ বৰ্ষৰ বাজেটত গাৰোসকলক 'ডেভলপমেণ্ট কাউন্সিল' দিয়াৰ ক্ষেত্ৰত উল্লেখ কৰিছে। গতিকে ইয়াৰ লগতে থলুৱা জনগোষ্ঠী হাজং আৰু মদাহীসকলকো উন্নয়ন পৰিষদ দিব লাগে বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াক অধ্যক্ষৰ জৰিয়তে অনুৰোধ জনালো। আজি অসমত মিছিং, ৰাভা হাছং, তিৱাসকলক অট'নমাচ কাউন্সিল দিয়া হ'ল। লগতে ১৮ টা থলুৱা জনগোষ্ঠীক উন্নয়ন পৰিষদ দিয়াটো মাননীয় গগৈ ডাঙৰীয়াৰ নেতৃত্বত থলুৱা জনগোষ্ঠীৰ প্ৰতি তেখেতৰ ভালপোৱাটোকে সূচায়। ২০০৩ চনত বি-টি-চি খনে উন্নয়নৰ মুখ দেখিবলৈ সক্ষম হৈছে আৰু ৰাইজে সন্তুষ্টি লভিছে; কিন্তু কিছুমান এনেকুৱা দিশ আছে যিবোৰৰ ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। প্ৰস্তাৱিত চল্লিশটাৰ ভিতৰত এতিয়াও ৰিলিফ এণ্ড ৰিহেবিলিটেচন হস্তান্তৰ কৰা হোৱা নাই। যদিহে এই ডিপাৰ্টমেণ্টটো বি-টি-চি কৰ্তৃপক্ষৰ হাতত থকাহেঁতেন ২০১২ চনৰ গোষ্ঠীগত সংঘৰ্ষ পিড়ীতসকলক বি-টি-চিয়ে নিজাববীয়াকৈ সহায়ৰ হাত আগবঢ়াব পাৰিলেহেঁতেন। তদ্ৰুপ Law & order আৰু ডিপুটি কমিচনাৰৰ সেৱা বি-টি-চি প্ৰশাসনৰ অধীনত নথকা কাৰণে বিভিন্ন উন্নয়ন,

আইন-শৃংখলা আৰু মনিটৰিং আৰু শাসনৰ ক্ষেত্ৰত যথেষ্ট ব্যাঘাত জন্মিছে।

শিক্ষাৰ ক্ষেত্ৰত মাননীয় গগৈ ডাঙৰীয়াৰ চৰকাৰখনে সাফল্য লাভ কৰা বুলি আমি ক'ব লাগিব। আজি অসমৰ চুকে কোণে পৰি থকা Venture School বিলাক স্থাপন কৰা হ'ল। সংখ্যাগত আৰু গুণগত দুয়োটা দিশৰ মানদণ্ড বাঢ়িছে; আৰু শিক্ষাৰ ক্ষেত্ৰটো অগ্ৰগতি লাভ কৰিছে। Provincialise আৰু চৰকাৰৰ ফালৰ পৰা Government Concurance নতুন শিক্ষা অনুষ্ঠান বিলাকত উঠাই দিয়াৰ পিছত উচ্চ শিক্ষাৰ অনুষ্ঠান স্থাপন কৰাৰ কাৰণে কিছুমান সমস্যাই দেখা দিছে। গতিকে তেনে আঞ্চলবিলাকৰ ভিতৰত তামোলপুৰ Civil Sub Division উচ্চ শিক্ষাৰ পৰা এতিয়াও বঞ্চিত হৈ আছে। বৰ্তমান তামুলপুৰত চলি থকা Degree College খন চৰকাৰৰ Provinicalisation ৰ আওতালৈ নাহিল। গতিকে অধ্যক্ষ মহোদয়ৰ জৰিয়তে তামোলপুৰত এখন Government Degree College স্থাপন কৰিবৰ কাৰণে অনুৰোধ জনালো। স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত অসম চৰকাৰৰ পদক্ষেপ প্ৰণিধানযোগ্য। যোৱা কেইবছৰৰ ভিতৰতে যোৰহাট, তেজপুৰ আৰু বৰপেটাত চিকিৎসা মহাবিদ্যালয় স্থাপন কৰি ইয়াক কাৰ্যক্ষম কৰাটো অসমৰ মাননীয় মন্ত্ৰী শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মা নিশ্চয়কৈ প্ৰশংসাৰ যোগ্য। তদ্ৰুপ আমি আশা কৰিছো প্ৰস্তাৱিত কোকৰাঝাৰ মেডিকেল কলেজ অতি সোনকালে কাৰ্যক্ষম হৈ উঠিব। আজি তেখেতৰ প্ৰচেষ্টাত এখন বিধেয়ক আনি অসমক এখন ধপাতমুক্ত ৰাজ্য হিচাপে পৰিগণিত কৰিব বিচাৰিছে। আজি প্ৰসূতিৰ মৃত্যুৰ হাৰ কমিছে। অসমৰ স্বাস্থ্যসেৱা বিভাগৰ জৰিয়তে মেলেৰীয়াৰ প্ৰভাৱ অসমৰ গাঁও বা চহৰ অঞ্চলৰ

পৰা নোহোৱা হৈছে। প্ৰতিটো বিধান সভা সমষ্টিত একোখনকৈ Model Hospital গঠন কৰি স্বাস্থ্যসেৱা আগবঢ়োৱাটো এক প্ৰশংসনীয় পদক্ষেপ। তেনেকৈ যদি আমি সামগ্ৰীকভাৱে চাওঁ বিভিন্ন শিতানত ৰাস্তা ঘাটেই হওক, মানুহৰ জনমূৰি আয়ৰ কথাই হওক, জীৱনৰ মানদণ্ডই হওক যোৱা ৮ বছৰত যথেষ্ট পৰিৱৰ্তন আহিছে আজি অসমৰ চুকে কোণে মগনীয়া আৰু ভিক্ষাৰীসকলক সচৰাচৰ দেখা নাযায়। গতিকে সামগ্ৰীকভাৱে যোৱা ১২ বছৰত গগৈৰ নেতৃত্বত অসমে অন্য প্ৰদেশৰ লগত সমানে বা কিছুক্ষেত্ৰত বেলেগ প্ৰদেশৰ তুলনাত অগ্ৰগতি লাভ কৰিছে। এই দুষাৰ বক্তব্যৰে অসমৰ মাননীয় মুখ্যমন্ত্ৰী গগৈৰ অন্তৰ্বৰ্তী বাজেটত সমৰ্থন জনায় মোৰ বক্তব্য ইমানতে সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰীঅঞ্জন দত্ত।

*** শ্ৰী অঞ্জন দত্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ২০১৪-২০১৫ বিত্তীয় বৰ্ষৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্থাপন কৰা লেখানুদানৰ বাজেটৰ ওপৰত সমৰ্থন কৰিও দুআষাৰ মান ক'বলৈ লৈছো। মই মাননীয় বিধায়কসকলে স্থানীয় উন্নয়ন এলেকাৰ ধন সমষ্টিৰ বাহিৰতো যাতে দিব পাৰি তাৰ ব্যৱস্থা কৰিলে ভাল হয়। মই এইটো কোৱা নাই যে দিবই লাগিব। কিন্তু কিছু কিছু ক্ষেত্ৰত এইটো সুবিধা দিব লাগে। যেনেকৈ গুৱাহাটীত আমাৰ আমগুৰি ভৱন আছে। তাত অসমৰ বিভিন্ন অঞ্চলৰ পৰা মানুহ আহি মাত্ৰ ৪০ টকাতে থাকিব পাৰে, এতিয়া ৮০ টকা কৰা হৈছে। তাত বিছনা-পাতি আদি ভাঙি গৈছে। ৰাইজে মোৰ পৰা সাহায্য বিচাৰে কিন্তু মই ক'ৰ পৰা দিম।

---

* Speech not Corrected

দিয়াৰ ব্যৱস্থা থাকিলে ভাল আছিল। মই আৰু এটা কথা কওঁ যে ইতিমধ্যে আত্ম সহায়ক গোটসমূহ কৰা হৈছে- কিন্তু তেওঁলোকক চৰকাৰৰ ফালৰ পৰা হাঁহ, কুকুৰা যোগান ধৰা হৈছে- ইয়াৰ পৰা একো লাভ হোৱা নাই। তাৰ সলনি অন্য ধৰণে যেনে হস্ত তাত বস্ত্ৰ শিল্পৰ দৰে বিভিন্ন আঁচনিৰে তেওঁলোকক আগবঢ়াই নিব পাৰিলেহে ভাল হ'ব। তাৰোপৰি মাৰ্চত ইলেকশ্যন আহি পাব। খৰচ কৰিব নোৱাৰাৰ বাবে ধন থাকি যাব। তাৰ বাবে পৰিকল্পনা উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। বিভিন্ন বিষয়াক দায়িত্ব অৰ্পণ কৰিব লাগিব। যাতে সময় মতে ধন খৰচ হয়। আমাৰ সাংস্কৃতিক বিভাগেও বিভিন্ন ব্যক্তিৰ নামত বটা প্ৰদানৰ কথা কৈছে। লাচিত বৰফুকন, চ্যুকাফা, আজান পীৰ বঁটা দিয়াৰ কথা কৈছে। বটা বিলাকত যিটো নগদ ধন দিয়া হয় তাৰ পৰিয়াল বঢ়াব লাগে। আৰু নতুন নতুন ব্যক্তিৰ নামতো বঁটা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰী কেশৱ মহন্ত ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়কজনৰ লগত আৰু কেইটামান কথা যোগ দিব বিচাৰিছো। এটা কথা ভাল পাইছো যে স্মৃতি চিহ্নৰ কথা কৈছে। লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ১৫০ বছৰীয়া জয়ন্তী হৈ আছে। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ নামত সেই সময়তেই ৰবীন্দ্ৰ ভৱন স্থাপন কৰা হৈছে। ৫০/৬০ বছৰৰ আগতেই হৈছে। লক্ষ্মীনাথ বেজবৰুৱা সাহিত্য সংস্কৃতিৰ প্ৰতীক। গতিকে লক্ষ্মীনাথ বেজবৰুৱাৰ নামত এটা স্মৃতি ভৱন নিৰ্মাণ কৰাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচৰিছো। আমি জিলা সদৰসমূহত

---

* Speech not Corrected

ৰসৰাজ ভৱন নিৰ্মাণ কৰি এখন জনপ্ৰিয় আঁচনি গ্ৰহণ কৰিলে ভাল পাম। আজি জয়ন্তীৰ যিটো সময় আছিল এই ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক অসম বিধান সভাত শ্ৰদ্ধাৰে কৃতজ্ঞতা কৰিব বুলি আশা কৰিলো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে লোক আয়ুক্ত বিলৰ কথা আগতেও কৈছে আৰু ৰাজহুৱা ভাবেও কৈছে। এই বছৰো আকৌ এই লেখানুদান বিলৰ বক্তব্যত আহিছে। এই কথাটো এইবাৰ বিধান সভাত ন'টিছো পাইছিল। চৰকাৰৰ ফালৰ পৰা কিন্তু বিলখন অহাৰ প্ৰয়োজন আছিল। কিন্তু নাহিল। এই বিল নহাৰ ক্ষেত্ৰত কি অসুবিধা আছে আমি নাজানিলো। বিলখন অনাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে জানিব পাৰিলে ভাল পালোহেঁতেন এই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা সুদুত্তৰ বিচাৰিছো। উপাধ্যক্ষ মহোদয়, আইন শৃংখলাৰ ক্ষেত্ৰত মই কেইটামান কথা ক'বলৈ বিচাৰিছো। আইন শৃংখলাৰ ক্ষেত্ৰত যিটো পৰিস্থিতিৰ সৃষ্টি হৈছে এই পৰিস্থিতিৰ ক্ষেত্ৰত দেখিছো যে পুলিচ বিভাগটো যথেষ্ট গধুৰ হৈছে। ডি, জি, পি এডিজিপি কেইবাজনো আছে কিন্তু আমি দেখিছো ৮০০০ খালি পদ আছে। ফিল্ডত কাম কৰাৰ বাবে সংখ্যা কম। গতিকে পুলিচ বিভাগে এই ক্ষেত্ৰত যিটো পাৰদৰ্শিতা দেখুৱাব লাগিছিল তাক দেখুৱাব পৰা নাই। আই জি পি এজন থাকিলেও তলৰ পৰ্যায়ৰ কৰ্মচাৰীৰ যথেষ্ট নাই। আজিকালি চোৰ ডকাইতৰ সংখ্যা বেছি। গাৱঁ ভূঞে ভিদিপি দিয়া হৈছে। তেওঁলোকৰ ক্ষেত্ৰত গুৰুত্ব কম দিয়া হৈছে। অন্যান্য ক্ষেত্ৰত আমি যথেষ্ট টকা খৰচ কৰিছো যদিও তেওঁলোকক অতি কম টকা দিয়া হয়। পাঁচশ টকা দিয়ে। তেওঁলোকক ৰেইন কোট আদি দিয়া হয় যদিও সকলোৱে নাপায়। ৰেজিষ্টাৰ কৰাসকলে দিয়া হয়। কিন্তু সমানে কাম কৰে। আজিকালি গাঁওবুঢ়াসকলে গাঁৱত সকলো কাম কৰে।

চৰকাৰৰ ফালৰ পৰা সেই ক্ষেত্ৰত যি সুবিধা দিছিল সেই সুবিধা তেওঁলোককো দিব লাগে। পঞ্চায়ত নিৰ্বাচনৰ সময়ত প্ৰতিনিধিসকলক কোৱা হৈছিল দৰমহা পাব কিন্তু আজিলৈকে পোৱা নাই। পঞ্চায়ত প্ৰতিনিধিসকলে কেনে ধৰণৰ দৰমহা পাব। সেই বিষয়ে চৰকাৰৰ ফালৰ পৰা কিবা এটা জানিলে ভাল হয়। ঠিক তেনেকৈ শ্ৰীকেশৱ মহন্ত তেওঁলোকে দৰমহা পোৱা নাই। আমাৰ দৰমহা হ'ব ক'ত। পঞ্চায়ত দৰমহাৰ ক্ষেত্ৰত কি কৰিব পৰা যায়। ইয়াৰ এটা প্ৰক্ৰিয়া থাকিব লাগে। কেন্দ্ৰৰ দৰে দৰমহা পাব পাৰে। অসমৰ কৰ্মচাৰীসকলেও ৩৩ মাহৰ বাকেয়া ধন পাব বুলি জনাইছে হয় প্ৰতিশ্ৰুতি দি আছে। এই ক্ষেত্ৰত চৰকাৰে ৩৩ মাহৰ বাকেয়া ধনৰ ক্ষেত্ৰত কি ধৰণে দায়িত্ব পালন কৰিছে জনালে ভাল। আজি আমাক বহুত সংস্থাপন দিছে বুলি কৈ আহিছে। যিসকল শ্ৰমিক আছে উপযুক্ত নহয়। যদিও কেইটামান আঁচনি আছে, কেইজনমানৰ বহুতৰেই সংস্থাপন হয়। ৩/৪ টা ঋণ দিয়ে যোৱা মাৰ্চত। এই আঁচনিখন এনেকুৱা আঁচনি য'ত জুলাই মাহত মঞ্জুৰ দিয়ে আৰু বেঙ্কে নিদিয়া হয়। আগতে ইয়াৰ দ্বাৰা এখন স্কিম কৰি থাকে আৰু কামটোৰ কাৰণে তেওঁলোকে বছৰে দৌৰি দৌৰি আহে কিন্তু কামটো নহয়। আঁচনি কালত এনেকুৱা আঁচনি কমকৈ হৈছে। বাকীখিনি হোৱা নাই। যোৱা যিখন বাজেট মেট্ৰ'ৰ কথা আছে। স্বাস্থ্যৰ কথা আছিল। আনকি গোটেই কথাখিনি ধৰা হৈছিল। ৬০০ শ কোটি টকা দিয়া হৈছিল। কিন্তু তেনে কি আঁচনি লোৱা হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে ইয়াৰ আগতে ঘোষণা কৰে বিত্তীয় বছৰটোৰ মাৰ্চ মাহৰ শেষত আৰু ঘোষণা দিলেও কিন্তু কাম নহয়। মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো তাৰ যথেষ্ট প্ৰতিশ্ৰুতিৰ কাম হৈছে। নিশ্চয় পৰিকল্পনাৰ অন্তৰ্ভুক্ত হ'ব। মাননীয়

মন্ত্ৰী মহোদয় ৬ মাহৰ লেখা অনুদান দাখিল কৰিছে সেইখিনিৰ যথেষ্ট প্ৰতিশ্ৰুতি আছে। অকল সমালোচনা কৰিলেই নহ'ব। ফ্ৰিদম-ফাইটাৰৰ পেন্সন বাঢ়িব। কিন্তু মই কি বিচাৰিছো মাননীয় মন্ত্ৰী ডাঙৰীয়াই জলসিঞ্চনৰ কথা কৈছে, বানপানীৰ নিয়ন্ত্ৰণৰ কথা কৈছে। বিভিন্ন কাৰ্য পন্থা হাতত লোৱা হৈছে। অসমত বহুত সমষ্টি আছে। এখন জিলাত নাই বহুত বাদ পৰিছে। মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ।

মোৰ সমষ্টিত একো স্কিম নাই। অসমৰ সমষ্টিবিলাকত বা এৰিয়াবিলাকত যি কামৰ কথা কৈছে কাগজে-কলমে হ'লে ভাল হ'ব।

*** ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ** ছাৰ, তেখেতে অলপ মিচ ইনফৰমেচন দি আছে। তেখেতৰ সমষ্টিতো স্কীম আছে। যিবিলাক আঁচনি বিকল হৈ আছে সেইবিলাকৰ মেৰামতি হৈ আছে। বৰাকত অলপ অলপ টকাৰ আঁচনি। আমি এইবাৰ ১০৪টা আঁচনি চেংচন কৰিছো। গতিকে ইয়াত যিখিনি কথা লিখা আছে সেয়া কোনো ভুল কথা লিখা হোৱা নাই।

*** শ্ৰী ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টত এটাও আঁচনি নাই মোৰ দৰে অসমৰ বহু সমষ্টিত কোনো জলসিঞ্চনৰ আঁচনি নাই। আমি বাৰে বাৰে প্ৰশ্ন কৰিলে উত্তৰ দিয়ে লোৱা হ'ব। গতিকে এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰীয়ে চাব লাগে। যদি এনেকুৱা ডিক্ৰিমিনিচেন হয় তেতিয়াহ'লে অসমৰ উন্নতি সম্ভৱ নহয়। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বহুতো

---

* Speech not Corrected

বিভাগত পদ খালি হৈ আছে। আজি বহু হাজাৰ শিক্ষকৰ পদ খালি হৈ আছে। বিটিএডিত দুই এমাহৰ ভিতৰতে শিক্ষক নিযুক্তি দিব বুলি শিক্ষামন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে। যদি হয় ভাল হ'ব। আজি আমাৰ বহুতো শিক্ষিত নিবনুৱাই চাকৰি নাপাই খেতি কৰিছে। তেওঁলোকে নিজৰ কপালৰ ঘাম মাটিত পেলাই এই সকল শিক্ষিত নিবনুৱাই খেতি কৰিছে। আৰু এওঁলোকে কৰা খেতি দেখুৱাই আপোনালোকে এৱাৰ্ড পাইছে। আজি আমাৰ বৰপেটা জিলাত ৮টা সমষ্টি আছে। এই ৮টা সমষ্টিত যি আঁচনি দিয়ে তাতকৈ বেছি আঁচনি ধৰ্মপুৰ সমষ্টিত দিয়ে। যদি এনেকুৱাই হয় তেতিয়হ'লে অসমৰ উন্নতিৰ ছবি ভাল নহয়। আজি আমাৰ স্বাস্থ্যমন্ত্ৰী মহোদয়ে বৰপেটাৰ কলগাছিয়াত এখন চিভিল হস্পিতাল দিছে। আমি ভাল পাইছো। কিন্তু এই চিভিল হস্পিতালত কোনো অপাৰেচন নহয়। হস্পিতালৰ বিল্ডিংবিলাক ধুনীয়া ধুনীয়া হৈছে, কিন্তু ডাক্তৰ নাই, নাৰ্চ নাই। শিক্ষাৰ ক্ষেত্ৰতো আমি দেখিছো যে আজি আমাৰ দক্ষিণ শালমাৰাৰ পৰা ৪৫০ জন শিক্ষকক উঠাই লৈ অহা হৈছে। জনীয়া সমষ্টিটোত ১৫০ শিক্ষকক উঠাই লৈ গৈছে। ১৫০-২০০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ ১ জন শিক্ষক। গতিকে এইবোৰ ঠাইত সোনকালে শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এইবোৰ অঞ্চলত এল এ চি বা ডিষ্ট্ৰিক্টৱাইজ বিশেষ টেট পৰীক্ষা পাতি এই অঞ্চলৰ শিক্ষিত নিবনুৱা যুৱক যুৱতীসকলক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ঠিক তেনেদৰে পাহাৰীয়া অঞ্চলবিলাকো চাৰ্ভে কৰি যিখিনি উন্নয়নমূলক কাম কৰিব লাগে সেইখিনি কৰাৰ বাবেও মই অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ আৰু গড়াখহনীয়া সমস্যাটো অসমৰ এটা ডাঙৰ সমস্যা। এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাই অহা হৈছে যদিও দুৰ্ভাগ্যবশতঃ আজিলৈকে কেন্দ্ৰীয় চৰকাৰে সেইটো স্বীকৃতি দিয়া নাই। আজি আমি দেখিছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নদী নিয়ন্ত্ৰণৰ বাবে গৱেষণাৰ ওপৰত গুৰুত্ব দিছে। এইটো ভাল হৈছে। কিন্তু শোৱণশিৰিৰ নিচিনাকৈ বছৰ বছৰ যদি গৱেষণা চলিয়েই থাকে তেতিয়াহ'লে একো লাভ নহ'ব। গতিকে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে যিবিলাক অঞ্চলত গড়াখহনীয়া হৈ আছে সেইবিলাক অঞ্চলত বেছিকৈ টকা আবণ্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজি আমি ইয়াত দেখিছো যে গড়াখহনীয়াত আক্ৰান্ত লোকৰ সাহায্যৰ বাবে আগৰ ৫ হাজাৰৰ পৰিৱৰ্তে এতিয়া ৭৫০০ টকা কৰিব বিচাৰিছে। যদিও এইটো অলপ বঢ়োৱা হৈছে তথাপিও ই যথেষ্ট নহয়। ইয়াৰোপৰি আমি দেখিছো যে যিবিলাক অঞ্চলত নদীৰ গড়াখহনীয়া নাই সেইবোৰ অঞ্চললৈকেও সাহায্য দিয়া হৈছে। যদি এই চিষ্টেম চলি থাকে কি হ'ব আমি নাজানো। সাহায্য দিয়াৰ বাবে যিবিলাক কমিটি গঠন কৰি দিয়া হয় তাৰ যিজন মেম্বাৰ থাকে তেওঁ নিজৰ ঘৰৰ মানুহক আৰু নিজৰ এলেকাৰ মানুহৰ নাম চিলেক্ট কৰে গড়াখহনীয়াত পৰক বা নপৰক। আই এ ৱাইৰ ঘৰৰ বাবে আজিকালি ৭৫ হাজাৰ টকা দিয়া হয়। গতিকে মই গড়াখহনীয়াত আক্ৰান্ত হোৱা লোকসকলোকো ৭৫ হাজাৰ টকাকৈ সাহায্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আজি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে খালি পদ পূৰণ কৰাৰ বাবে প্ৰতিশ্ৰুতি দিছে।

আজি চাৰ্কোল অফিচত চি ও নাই, ব্লক বিলাকত বিডি ও নাই। ইয়াৰোপৰি পুলিচ বিভাগত হাজাৰ হাজাৰ পদ খালি হৈ আছে। যোৱাকালিও মেঘালয় বোৰ্ডাৰত দুজন ব্যৱসায়ীক অপহৰণ কৰা হৈছে। গতিকে বিভিন্ন বিভাগত যিবোৰ খালি পদ আছে সেইবোৰ অতি সোনকালে পূৰণ কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

* **শ্ৰী কমল সিং নাৰ্জাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী তথা বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ক বাজেটত থাকি যোৱা কিছুমান আসোঁৱাহ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। প্ৰথম কথা হ'ল যে ২০১১-১২ চনত স্কুল প্ৰ'ভিন্সিয়েলাইজ বিলখন পাচ কৰিছিল। সেই বিল ২০১৩ চনত এমেণ্ডমেণ্ট কৰিলে। বাজেটত নতুন প্ৰ'ভিন্সিয়েলাইজ স্কুলসমূহৰ শিক্ষকসকলক দৰমহা দিবলৈ ব্যৱস্থা কৰা হৈছে। বি টি চিৰ প্ৰ'ভিন্সিয়েলাইজ স্কুলৰ শিক্ষকসকলক দৰমহা দিয়াৰ কাৰণে এচ ডি দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লগা হৈছে। গতিকে অতি কম সময়ৰ ভিতৰত কেবিনেট ডিচিচন লৈ সোনকালে দৰমহা দিয়াৰ কাৰণে ব্যৱস্থা মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ লগতে বিটিচিত স্পেচিয়েল টেট পৰীক্ষা পাচ কৰিছে, কিন্তু চাকৰি দিব পৰা নাই, কি কাৰণে দিব পৰা নাই তাৰ কাৰণ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। বিটিচি লৈ অসম চৰকাৰে ৪০ টা বিভাগ হস্তান্তৰ কৰাৰ কথা আছিল। তাৰ ভিতৰত সাহায্য আৰু পুনৰসংস্থাপন বিভাগটোও এটা। গতিকে এই বিভাগটো অতি সোনকালে বিটিচিলৈ অতি সোনকালে স্থানান্তৰ কৰাৰ কাৰণে মাননীয়

---

* Speech not Corrected

মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। ইয়াৰ উপৰি ৰঞ্জন দৈমাৰীৰ লগত শান্তি আলোচনা অতি সোনকালে অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনালো। বিভিন্ন বিভাগত প্ৰমোচনৰ ক্ষেত্ৰত চুপ্ৰিম কোৰ্টে দিয়া ৰায় অনুযায়ী এছ টি এছ চিৰ ক্ষেত্ৰত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। এইখিনিকে কৈ মই মোৰ চমু ভাষণৰ সামৰণি মাৰিলো।

* **শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ মাননীয় সদস্য শ্ৰীচিৰাজুদ্দিন আজমল, শ্ৰীফণী ভূষণ চৌধুৰী, শ্ৰীমনোৱাৰ হুছেইন, শ্ৰীৰণজিৎ দাস, ডাঃ ভূমিধৰ বৰ্মন, শ্ৰীপ্ৰশান্ত ফুকন, শ্ৰীইনামুৰেল মুছাহাৰী শ্ৰীৰফিকুল ইছলাম আদি সকলোকে মই ধন্যবাদ জনাইছো। আজি আমাৰ সকলো বিধায়কে কৈছে যে বিভাগত টকা বৃদ্ধি কৰিব লাগে। কিন্তু ইনকাম নহ'লে ক'ৰ পৰা দিম। আগতে আমি ইনকাম বঢ়াব লাগিব, তাৰ পিছত দিব পাৰিম। টকা থাকিলেই নহ'ব, মেনপাৱাৰো লাগিব। লগতে এক্সপাৰ্টো লাগিব। অসমত আমি কিয় টকা সময়মতে খৰচ কৰিব নোৱাৰো। ইয়াৰ কাৰণো আছে। কাৰণ অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যত ৱৰ্কিং চিজন অতি কম। মেনপাৱাৰো নাই। আজি কিছুমানে কৈছে হস্পিতালত ডাক্তৰ নাই, নাৰ্চ নাই। হয় আমাৰ অভাৱ আছে। সেই কাৰণে আমি নাৰ্চিং কলেজ খুলিছো, মেডিকেল কলেজ খুলিছো। আমি ইঞ্জিনিয়াৰিং কলেজো খুলিছো। সমস্যা নাই বুলি আমি কোৱা নাই। গোটেই ভাৰতবৰ্ষতে সমস্যা আছে। আজি গুজৰাটৰ কথাই মই ক'ব খুজিছো। তেওঁলোকে নিযুক্তি দিছে ৩০ লাখ আৰু আমি দিছো ৬০ লাখ। তেওঁলোকে জবকাৰ্ড দিছে ৯ লাখ আৰু আমি দিছো

---

* Speech not Corrected

১৩ লাখ। মহাৰাষ্ট্ৰ, কৰ্ণাটক, ইউ, পি আদিত দুখীয়া মানুহ নাই নেকি? গুজৰাট চিটিখন দেখাত ধুনীয়া। কিন্তু ভিতৰৰ ৰাস্তাবোৰ কি?

২০০৫ চনৰ আগলৈকে গুৱাহাটী কি আছিল। ২০০৫ চনৰ পিছতহে গুৱাহাটীত উন্নতি হ'বলৈ ধৰিছে। ২০০৫ চনৰ আগতে চৰকাৰে কৰ্মচাৰীক দৰমহা দিব পৰা নাছিল। আগৰ চৰকাৰে গাঁওবুঢ়াসকলক ৬০০ টকা দিছিল আৰু এতিয়া আমি দিছো ২৬০০ টকা। তেওঁলোকে ভি ডি পি বিলাকক দিছিল ৫০ টকা আৰু আমি এতিয়া দিছো ৫০০ টকা। তথাপিও তেওঁলোকে ক্ৰিটিচাইজ কৰে। জনীয়ালৈ কেনেকৈ নাৰেৰে যাব লাগে মই কি নাজানো নেকি? বাঘবৰ কেনেকুৱা মই নাজনো নেকি। মই অসমৰ চুকে-কোণে গৈছো। হয়, আমাৰ সমস্যা আছে, সমস্যা নথকা বুলি মই কোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসমৰ বিভিন্ন সমস্যা আছে। মোৰ সমষ্টি তিতাবৰত নাই নেকি? তিতাবৰতো আছে। এইটো কথা ঠিক যে ভাৰতবৰ্ষৰ আন আন ৰাজ্যতো এই সমস্যা আছে। আজি আমাৰ মানুহৰ কামৰ স্পীড বাঢ়িছে, চব বস্তুৰে দাম বাঢ়িছে, আজি চিমেণ্টৰ দাম বাঢ়িছে, লগতে কৰ্মচাৰীসকলৰো দৰমহা বাঢ়িছে। কিন্তু একেদিনাই চব কাম সমাধান নহয়। কামৰ স্পীড বঢ়াৰ কাৰণে আমাৰ আয় বাঢ়িছে। আমি বিহুত এশ কোটি টকা দুখীয়া মানুহক দিছো। চাউল, সূতা দিছো, আমি চাউল, সূতা দিওঁতে বিৰোধীয়ে ৰাজনীতি কৰাৰ কথা কয়। আপোনালোকে ৰাজনীতি কৰা নাই নেকি? আপোনালোকে ৰাজনীতি নকৰিলে ইয়ালৈ আহিব নোৱাৰিলেহেঁতেন। তেতিয়া আপোনালোকক ৰাইজে চিনি নাপালেহেঁতেন। আৰু আপোনালোকেও ৰাইজৰ লগত বা ইয়াত কথা কোৱাৰ সুবিধা নাপালেহেঁতেন।

আমি ফ্রিডম ফাইটাৰৰ দৰমহা বঢ়াইছো। চব কাম একেদিনাই হৈ নুঠে। আমাৰ যিবিলাক আঁচনি আছে সেইবিলাক লাহে লাহে হ'ব। আজি আমাৰ ২০০১ চনৰ পৰা ২০০৫ চনলৈকে যিবিলাক গাঁওবুঢ়া আৰু শিক্ষক আছে সেইবিলাকৰ দৰমহাৰ কথা কৈছে। আজি আয় নহ'লে ক'ৰ পৰা দিব, আয়ো হ'ব লাগিব। আগতে ষ্টেট চেয়াৰ ২৫ শতাংশ আছিল এতিয়া ৭৫ শতাংশ পাইছেগৈ। আজি আমাৰ ৰাজ্যৰ ৰিচোৰ্চ one of the best.

মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ আজমলে কেনেকৈ উন্নতি কৰিছে? (সদনত হাঁহিৰ ৰোল)।

আজি আমাৰ অসমত বহুত বাগান আছে। সেই বাগানবিলাকৰ উন্নতি কৰিব লাগিলে বহুত মেচিনৰ প্ৰয়োজন হ'ব। আজি আমাৰ ৰাজ্যত বেম্বো ইণ্ডাষ্ট্ৰিজ আছে। এইবিলাকৰ আয় বঢ়াব লাগিলে লেবাৰৰ প্ৰয়োজন হ'ব। মই ৰুৰেল ইকনোমিৰ কথা যেনে—ৰাস্তা, দলং আদিৰ কথাও ক'ব লাগিব। আজি গুৱাহাটী বা বৰপেটাই হওক চবতে উন্নতি হৈছে। আজি ডায়েৰীয়ে হওক, প'লট্ৰি ফাৰ্মেই হওক, এগ্ৰিকালচাৰেই হওক এই বিলাকৰো উন্নতি হৈছে। আজি অসমৰ গোৱালপাৰা বা বৰপেটা হওক তেৰ লাখ ল'ৰা-ছোৱালীয়ে বাহিৰত পঢ়ে। হোটেল মেনেজমেণ্টেই হওক বা আই আই টিয়েই হওক আজি এমপ্লইমেণ্ট জেনেৰেচনৰ উন্নতি হৈছে। আজি আমাৰ ৰাজ্যত গাড়ী কিমান? সেই অনুপাতে ড্ৰাইভাৰৰো প্ৰয়োজন আছে। আজি এমপ্লইমেণ্ট জেনেৰেচনৰ টকাৰ কাৰণে চিন্তা কৰিব নালাগে। আজি এমপ্লইমেণ্ট জেনেৰেচনৰ কাৰণে প্ৰব্লেম নাই। আজি এমপ্লইমেণ্টৰ কাৰণে হাইদৰাবাদেই হওক বা আন ৰাজ্যলৈও গৈ চাকৰি কৰি আছে। আজি লক্ষ্মীনাথ বেজবৰুৱাৰ কথাই কওঁ আজি ডেৰশ বছৰো কোনেও গাম পোৱা নাছিল।

আমি সকলোৰে কাৰণে কৰিছো। লক্ষ্মীনাথ বেজবৰুৱাক ১৫০ বছৰত মানুহে পাহৰিয়েই গৈছিল, আমি কৰিছো। আজান ফকিৰ, লাচিত বৰফুকন, বাঘ হাজৰিকাকো আমি জীয়াই ৰাখিছো। অসমত জাতীয়তাবাদৰ কথা কোৱাসকলে এইবোৰ পাহৰিয়েই গৈছিল। কো-অপাৰেটিভ কৰা হৈছে। আমি কো-অপাৰেটিভসমূহক বেছি গুৰুত্ব দিছো। আমি আগৰ গছ, চন্দন গছৰ খেতি কৰিবৰ বাবেও ৰাইজক উৎসাহ যোগাইছো। চন্দন গছ এতিয়াই হৈ উঠা নাই। একেদিনাই ইয়াক কৰিব নোৱাৰি। জলসিঞ্চন আঁচনি লোৱা হৈছে। প্ৰকৃতি ধ্বংস নকৰিবৰ বাবে ভাৰত চৰকাৰে আঁচনি লৈছে। আমিও ব্যৱস্থা লৈছো। প্ৰকৃতি যাতে ধ্বংস হ'ব নোৱাৰে তাৰ ব্যৱস্থা কৰা হৈছে। প্ৰকৃতি ধ্বংস কৰা সকলক যাতে শাস্তি দিব পাৰি তাৰ ব্যৱস্থা কৰা হৈছে। মাইনৰিটি এলেকাত গড়াখহনীয়াৰ কথা কোৱা হৈছে। কিন্তু গড়াখহনীয়া ক'ত হোৱা নাই, ব্ৰহ্মপুত্ৰ, বৰাক সকলোতে গড়াখহনীয়া হৈছে। আমি প্ৰতিৰোধৰ ব্যৱস্থা কৰি আছো। এইটো এছিয়ান ডেভেলপমেণ্ট বেংকৰ লগতো আমি টাইআপ কৰিছো।

আজি প্ৰায়ে সকলো ঠাইতে বানপানী হয় যদিও কিছুমান ঠাইত সঘনাই হয়, যেনেদৰে মাজুলী আদি ঠাইবোৰত। তথাপিও মাইনৰিটি এলেকাসমূহত বেছিকৈ ক্ষয়ক্ষতি হোৱা দেখা যায়। আজি পাইলট প্ৰজেক্টকে ধৰি আমি বিভিন্ন আঁচনি লোৱা হৈছে, হয় ক'ৰবাত ক'ৰবাত কিছু খেলি মেলি হৈছে কিন্তু তথাপিও এইটো ক'ব লাগিব যে আঁচনিসমূহ ঠিক মতে ৰূপায়িত হৈ আছে। আজি জলসিঞ্চন বিভাগৰে কথা কওঁ এই বিভাগৰ বিভিন্ন আঁচনিৰ জৰিয়তে খেতিয়কসকল উপকৃত হৈছে। গতিকে আমাৰ মাননীয় সদস্যসকলে ও সহযোগ কৰিব যাতে আমি কামবিলাক ঠিক মতে কৰিব পাৰো।

# VOTING ON VOTE ON ACCOUNT BUDGET FOR THE YEAR, 2014-2015.

**মাননীয় অধ্যক্ষ ঃ** কাৰ্যসূচী নং- ২ ঃ মই এতিয়া মাননীয় মুখ্যমন্ত্ৰীক ২০১৪ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ ছেপ্টেম্বৰৰ কালছোৱাৰ বাবে দাবী মঞ্জুৰীত লেখানুদান বিচাৰি প্ৰস্তাৱ উত্থাপন কৰিবলৈ আহ্বান জনালো।

**শ্ৰীনীলমনি সেন ডেকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ হৈ ২০১৪ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ ছেপ্টেম্বৰৰ কালছোৱাৰ বাবে দাবী মঞ্জুৰীত লেখানুদান বিচাৰি প্ৰস্তাৱটো সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**

মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল—

২০১৪ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ ছেপ্টেম্বৰ কালছোৱাৰ বাবে সৰ্বমুঠ ২৮৪৬৭, ১৯,৭৮,০০০ টকাৰ (আঠাই হাজাৰ চৰিশ সাতষষ্ঠী কোটি উনৈশ লাখ আঠসত্তৰ হাজাৰ টকাৰ) দাবী মঞ্জুৰীত লেখানুদানৰ প্ৰস্তাৱ গ্ৰহণ কৰা হওক।

যিসকল মাননীয় সদস্য/সদস্যই প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , তেখেতসকলে কওক 'নহয়', মই ভাবো, 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

# INTRODUCTION, CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (VOTE ON ACCOUNT) BILL, 2014.

মাননীয় অধ্যক্ষ ঃ কাৰ্যসূচী নং ৩(ক)।

এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ উত্থাপন কৰিব।

* শ্ৰী ভূপেন ৰয় ঃ মাননীয় অধ্যক্ষ মহোদয়, মোক অলপ ক'ব দিয়ক, কৰ্মচাৰীসকলে যে ৩৩ মাহৰ বকেয়াধন আজিলৈকে মোকলাই দিয়া নাই, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে সোনকালে মোকোলাই দিয়ে। ইয়াৰোপৰি যিবিলাক ভেনচাৰ স্কুলে এতিয়ালৈকে বিত্তীয় সাহায্য পোৱা নাই সেই সমূহ স্কুলক অতি সোনকালে বিত্তীয় সাহায্য মোকোলাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। ২০১১ চনৰ পৰা মাতমৰা মথাউৰিৰ মাটি অধিগ্ৰহণ কৰা টকা মোকোলাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় ১৯৩৩ চনৰে চালা বিলা আৰু হাপ্ৰছাৰা কেম্পত থকা শৰনাৰ্থীসকলৰ যি এককালীন সাহায্য দিয়া হৈছিল তাৰ ৫০,০০০ টকা আজিলৈকে আদায় দিয়া নাই, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে এই টকা আদায়

---

* Speech not Corrected

দিয়াৰ ব্যৱস্থা কৰে। মিদডে মিলৰ টকা সমবায় সমিতি সমূহক আজিলৈকে আদায় দিয়া নাই তাৰ বাবে এই টকা সমবায় সমিতি সমূহক আদায় দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজিলৈকে মানীকপুৰ এছ, ডি, অ' অফিচ স্থাপন কৰা নহ'ল, গতিকে ইয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয় বঙ্গাইগাঁও কৃষি বিভাগৰ মেকানিকেল ডিভিজনে ইলেক্টটিকেলমটৰ দিম বুলি ২০১১-২০১২ আৰু ২০১৩ চনতে বেংক ড্ৰাফ্‌ট লোৱা হৈছিল কিন্তু আজিলৈকে দিয়া হোৱা নাই, গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে অতি সোনকালে ইয়াৰ ব্যৱস্থা কৰে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাজেটখনত গাৰোসকলৰ উন্নতিৰ কাৰণে বিভিন্ন ব্যৱস্থা ৰখা হৈছে কিন্তু হাজং আৰু মদাহী সম্প্ৰদায়ৰ উন্নতিৰ কাৰণে বিশেষ ব্যৱস্থা ৰখা দেখা পোৱা নগ'ল। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যাতে হাজং আৰু মদাহীসকলৰ কাৰণে বিশেষ ব্যৱস্থা লয়। আনহাতে আমাৰ বি, টি, চিক ৰিলিভ আৰু ৰিহাবেলিচন বিভাগটো দিয়া হোৱা নাই। আমাৰ বি, টি, চিক ৩৯ টা বিভাগ দিছে কিন্তু এই উক্ত বিভাগটো দিয়া নাই। এই বিভাগটো নিদিয়াৰ ফলত বহুত ক্ষেত্ৰত অসুবিধা হয়। ধৰাহ'ল কোনোবা মানুহ এজনক যদি বনৰীয়া হাতীয়ে মাৰে তেতিয়া তাৰ সাহায্যৰ কাৰণে অসম চৰকাৰক যোগাযোগ কৰিবলগীয়া হয়। দুখীয়া গাঁৱৰ মানুহে ইমানখিনি কৰিব নাজানে। ধুমুহাই ঘৰ ভাঙিলে বা বানপানীয়ে ক্ষতি কৰিলেও সেই অনুৰূপ অৱস্থা হয়। গতিকে মই

---

* Speech not Corrected

মুখ্যমন্ত্ৰীক অনুৰোধ জনাওঁ যাতে বি, টি, চিক ৰিলিভ আৰু ৰিহাবিলেচন বিভাগটো অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰে।

* **শ্ৰীমনোৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম আন্দোলনৰ সময়ত বজালী ব্লক অফিচটো জ্বলাই দিয়া হৈছিল। সেই ব্লকটো এতিয়াও সেই অৱস্থাত আছে। গতিকে এই ব্লকটো পুণৰ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিব লাগে। টিহু উন্নয়ন ব্লকটো টিহু টাউনতে ভাড়া ঘৰত চলি আছে। সেই ব্লক অফিচটো মধুৰাপুৰত নিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ সমষ্টিত ৰাস্তা-ঘাট কিছু ভাল হৈছে যদিও দলঙৰ ক্ষেত্ৰত কিছু অসুবিধা আছে। মোৰ সমষ্টিত এতিয়াও ২৫ খন কাঠৰ দলং আছে। এই দলং কেইখন ৰাজহুৱা স্বাৰ্থৰ কাৰণে পকীকৰণ কৰিলে ভাল হয়। ভৰালী আৰু পশুমাৰা নদীৰ ওপৰত যাতায়াতৰ সুবিধাৰ কাৰণে দলং দিয়াৰ ব্যৱস্থা কৰিব লাগে। বৰপেটা জিলাৰ সৰভোগ সমষ্টিৰ বৰনগৰত এটা মহকুমা গঠন কৰিব লাগে। এই মহকুমাটো গঠনৰ বাবে ৰাইজে দাবী জনাই আহিছে। আমাৰ সমষ্টিৰ পথাৰত জলসিঞ্চনৰ ক্ষেত্ৰতো কিছু অসুবিধা আছে। বহুকেইটা জলসিঞ্চন প্ৰকল্পত বৈদ্যুতিক সংযোগ নাই। এইবিলাক ক্ষেত্ৰত চকু দিবৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয় মুখ্যমন্ত্ৰীক উত্তৰ দিবলৈ অনুৰোধ জনাইছো।

---

* Speech not Corrected

**INTRODUCTION, CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (VOTE ON ACCOUNT) BILL, 2014**

**শ্ৰীযুত তৰুণ গগৈ (মাননীয় মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ৰ ওপৰত মই ইতিমধ্যে ভাষণ ৰাখিছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্যসূচী নং ৩(ক)।

অসম বিনিয়োজন (লেখানুদান বিধেয়ক, ২০১৪ খন উত্থাপন কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰীয়ে অনুমতি বিচাৰিব।

**শ্ৰী নীলমণি সেন ডেকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ হৈ অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০১৪ সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিলো।

মাননীয় অধ্যক্ষ ঃ বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে Voice : Yes, Yes, অনুমতি দিয়া হ'ল।

ৰাজভৱনৰ পৰা বিনিয়োজন (লেখানুদান) বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৪ চনত ১৪ ফেব্ৰুৱাৰী তৰিখত এটা বাণী পঠিয়াইছে।

(অধ্যক্ষ মহোদয়ে বাণীটো ইংৰাজীতে পঢ়ি দিয়ে)।

Order Rajbhawan

dt. 14th Feb, 2014

Under the Provision of 207(1) of the Cosntitution of India. I, Shri Janaki Ballav Patnaik, Governor of Assam,

recommened the Introduction of "The Assam Appropriation (Vote on Account) Bill, 2014 in the Assam Legislative Assembly.

Sd/-(Shri Janaki Ballav Patnaik)
Governor of Assam

এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।

**শ্ৰীনীলমণি সেন ডেকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০১৪ সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধেয়কখন হ'ল 'অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০১৪'।

**মাননীয় অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা বিনিয়োজন (লেখানুদান) বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৪ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখত এটা বাণী পঠিয়াইছে। (মাননীয় অধ্যক্ষই বাণীটো সদনত পঢ়ি শুনাব) (বাণীটো পঢ়ি দিয়ে)

**INTRODUCTION, CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (VOTE ON ACCOUNT) BILL, 2014**

Order

Rajbhawan

Dated, 14th Feb/2014

"Under provision of Article 207(3) of the Constitution of India," "I, Sri Janaki Ballav Patnaik, Governor of Assam, recommend that "The Assam Appropriation (vote on Account) Bill, 2014" be taken into consideration by the Assam Legislative Assembly.

Sd - (Sri Janaki Ballav Patnaik)

Governor of Assam

এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

শ্ৰী নীলমণি সেন ডেকা ঃ মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মই "অসম বিনিয়োজন (লেখানুদান) বিধেয়ক, ২০১৪" বিবেচনাৰ বাবে লোৱা হওক।

মাননয়ী অধ্যক্ষ ঃ মাননীয় সদস্যসকল যদি সপক্ষে আছে, তেন্তে 'হয়' বুলি কওক যদি বিপক্ষে "নহয়" বুলি কওক, মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। এতিয়া বিধেয়কখন গৃহীত হ'ল।

INTRODUCTION, CONSIDERATION AND PASSING OF THE ASSAM APPROPRIATION (VOTE ON ACCOUNT) BILL, 2014

**কাৰ্যসূচী নং ৩(গ)**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল—বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যাই, সপক্ষে আছে, তেখেতসকলে কওক, 'হয়', যিসকল বিপক্ষে আছে, তেখেতসকলে কওক, 'নহয়' মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল।

কাৰ্যসূচী নং ৩(ঘ)। মাননীয় মুখ্যমন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী নীলমণি সেন ডেকা (মন্ত্ৰী) ঃ** মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ "অসম বিনিয়োজন (লেখানুদান বিধেয়ক, ২০১৪ খন পাৰিত কৰাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। যিসকল সদস্য/সদস্যাই, সপক্ষে আছে, তেওঁলোকে কওক 'হয়', যিসকল বিপক্ষে, তেওঁলোকে কওক 'নহয়', মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

# PRESENTATION OF THE LEGISLATURE COMMITTEE

**মাননীয় অধ্যক্ষ ঃ** কাৰ্যসূচী নং ৪ ঃ অসম বিধান সভাৰ ৰাজহুৱা হিচাপসমূহৰ সমিতিৰ সভাপতি শ্ৰীকেশৱ মহন্তই অসম বিধান সভাৰ ৰাজহুৱা হিচাপসমূহৰ সমিতিৰ ১৩২ তম্ ১৩৩ তম্ আৰু ১৩৪ তম্ প্ৰতিবেদনসমূহ দাখিল কৰিব।

**শ্ৰী কেশৱ মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয় মই অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমিতিৰ ১৩২, ১৩৩ আৰু ১৩৪ নং প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

# VALEDICTORY SPEECH

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ধন্যবাদ সূচক প্ৰস্তাৱ।

ত্ৰয়োদশ অসম বিধানসভাৰ একাদশ (ফেব্ৰুৱাৰী) অধিবেশন ১০-০২-২০১৪ তাৰিখে আৰম্ভ হৈ মুঠ ৫ দিন সদনৰ কাৰ্যক্ৰমণিকা সম্পন্ন হোৱাৰ অন্তত আজি ১৫-০২-২০১৪ তাৰিখে অন্ত পৰিছে।

এই অধিবেশনত মুঠ ৫ টা কৰ্মদিন চৰকাৰী কাৰ্যসূচীৰ বাবে ধাৰ্য কৰা হৈছিল।

অধিবেশনৰ প্ৰথম দিনা অৰ্থাৎ ১০ ফেব্ৰুৱাৰী, ২০১৪ তাৰিখে মহামাণ্য ৰাজ্যপাল মহোদয়ে সংবিধানৰ অনুচ্ছেদ ১৭৬(১)ৰ অধীনত সদনত ভাষণ প্ৰদান কৰে। সেইদিনা চৰকাৰী পক্ষৰ পৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ

সূচক প্ৰস্তাৱ উত্থাপন কৰা হয়। আৰু উক্ত ধন্যবাদ সূচক প্ৰস্তাৱটোৰ ওপৰত শাসকীয় আৰু বিৰোধী পক্ষৰ সদস্য-সদস্যাসকলে বিতৰ্কত অংশ লোৱাৰ অন্তত ১২-০২-২০১৪ তাৰিখে মৌখিক ভোটত উক্ত ধন্যবাদ সূচক প্ৰস্তাৱটো পাৰিত কৰা হয়।

অধিবেশনৰ কালছোৱাত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ আৰু নগৰৰ স্থানীয় নিকায়সমূহৰ হিচাপ পৰীক্ষা প্ৰতিবেদনকে ধৰি বিভিন্ন বিভাগৰ বাৰ্ষিক প্ৰতিবেদন, বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনসমূহ দাখিল কৰা হয়। তদুপৰি সদনত অসম চৰকাৰৰ চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগৰ প্ৰতিবেদনৰ লগতে চতুৰ্থ অসম ৰাজ্যিক বিত্ত আয়োগৰ ২০১১-২০১৫ চনৰ অনুমোদনৰ কাৰ্য ব্যৱস্থাৰ ওপৰত ব্যাখ্যামূলক স্মাৰক পত্ৰখন দাখিল কৰা হয়। এই সদনত মুঠ ৪ খন অসাধাৰণ ৰাজপত্ৰ অধিসূচনা দাখিল কৰাৰ লগতে ৰাজহুৱা হিচাপ সমিতিৰ ১৩২, ১৩৩ আৰু ১৩৪ তম্ প্ৰতিবেদনখন দাখিল কৰা হয়।

চলিত সদনত ২০১৪-২০১৫ বিত্তীয় বৰ্ষৰ বাবে লেখানুদান বাজেট উপস্থাপন কৰা হয় আৰু ইং ১৫-০২-২০১৪ তাৰিখে আলোচনাৰ পিছত উক্ত লেখানুদান বাজেটৰ ২০১৪ চনৰ অসম বিনিয়োজন বিধেয়কখন পাৰিত কৰা হয়।

এইবাৰ সদনত "দি আসাম মেডিকেল কাউন্সিল (এমেণ্ডমেণ্ট) বিল, ২০১৪" খন উপস্থাপনৰ লগতে আলোচনাৰ অন্তত উক্ত বিধেয়কখন পাৰিত কৰা হয়।

অধিবেশনৰ কালছোৱাত ইং ১৩-০২-২০১৪ তাৰিখে এখন চৰকাৰী

সংকল্প প্ৰস্তাৱ উত্থাপন কৰি সৰ্বসন্মতিক্ৰমে গৃহীত কৰা হয়।

সদনত মাননীয় সদস্য-সদস্যাসকলৰ পৰা পোৱা মুঠ ১১৭ টা মৌখিক প্ৰশ্নৰ ৬০ টা প্ৰশ্ন গৃহীত কৰা হয় আৰু ৫৯ টা প্ৰশ্নৰ উত্তৰ দান কৰা হয়। মুঠ ৭৯ টা লিখিত প্ৰশ্ন প্ৰাপ্ত হয় আৰু তাৰে ১২১ টা প্ৰশ্ন গৃহীত কৰা হয় আৰু ১১৯ টা প্ৰশ্নৰ উত্তৰ দান কৰা হয়। তৰাযুক্ত প্ৰশ্নৰ পৰা ৪৬ টা তৰাবিহীন প্ৰশ্নলৈ ৰূপান্তৰিত কৰা হয়।

অধিবেশনৰ কালছোৱাত নিয়ম ৩০১ ৰ অধীনত ৬ খন জাননী পোৱা হয় আৰু ২ খন জাননী আলোচনাৰ বাবে গৃহীত কৰা হয় ইয়াৰে ১ খন জাননী আলোচনাৰ অন্তত উত্তৰ দান কৰা হয়। নিয়ম ৫৪ ৰ অধীনত ৬ খন জাননী প্ৰাপ্ত হয় আৰু ২ খন জাননী আলোচনাৰ বাবে লোৱা হয় আৰু আলোচনাৰ অন্তত উত্তৰ দান কৰা হয়।

অধিবেশনৰ কালত মুঠ ৫ খন শূন্যকালীন সময়ৰ জাননী প্ৰাপ্ত হয় যদিও ৪ খন জাননী নিয়ম অনুসৰি সদনত উত্থাপন কৰি আলোচনাৰ অন্তত উত্তৰ দান কৰা হয়।

নিয়ম ৪৮ ৰ অধীনত তাৰকীয়া সময়ৰ প্ৰশ্নৰ মুঠ ৮০ খন জাননী প্ৰাপ্ত হয়। ইয়াৰে ৭৮ খন জাননী উত্তৰ দানৰ বাবে গৃহীত হয় আৰু নিয়মানুসাৰে উত্তৰ দান কৰা হয়।

অধিবেশনত মুঠ ১৯ গৰাকী বৰেণ্য ব্যক্তিৰ বিয়োগত শোক প্ৰস্তাৱ পাঠ কৰি প্ৰয়াত ব্যক্তিসকলৰ প্ৰতি সদনে শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

## VALEDICTORY SPEECH

অধিবেশনৰ কাৰ্যসূচী পৰিচালনা কৰাৰ ক্ষেত্ৰত আমাক সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ দি সহযোগিতা আগবঢ়োৱাৰ বাবে সদনৰ নেতা তথা মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়ালৈ মোৰ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীনীলমণি সেন ডেকা ডাঙৰীয়াই সদনৰ ভিতৰে বাহিৰে আমাক সময়োচিত দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে তেখেতলৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

অসম চৰকাৰৰ বিভিন্ন বিভাগৰ মাননীয় মন্ত্ৰীসকল, মাননীয় সংসদীয় সচিবসকল, শাসকীয় আৰু বিৰোধী দলৰ মাননীয় সদস্য-সদস্যা সকলে সদন পৰিচালনাৰ ক্ষেত্ৰত আমালৈ আগবঢ়োৱা সহায় সহযোগিতাৰ বাবে তেখেতসকলৰ প্ৰতি অসম বিধান সভাৰ হৈ মই ধন্যবাদ জ্ঞাপন কৰিলো। সদনৰ কাৰ্যসূচী পৰিচালনাৰ ক্ষেত্ৰত আমাক সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মাননীয় উপাধ্যক্ষ শ্ৰীভীমানন্দ তাঁতি ডাঙৰীয়ালৈ মোৰ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

তদুপৰি সদন পৰিচালনাৰ বাবে মনোনীত বিধায়ক সভাপতি মণ্ডলীৰ কেউগৰাকী সদস্যৰ প্ৰতিও বিশেষ ধন্যবাদ জ্ঞাপন কৰা হ'ল। অধিবেশনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰোঁতে আগবঢ়োৱা সকলো প্ৰকাৰৰ সেৱা আৰু সহযোগিতাৰ বাবে অসম বিধান সভাৰ প্ৰধান সচিবকে ধৰি সচিবালয়ৰ সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীলৈ আমাৰ আন্তৰিক শলাগ জনালো।

অধিবেশনৰ কেউদিনৰ কাৰ্যসূচী নিয়াৰিকৈ সমাপন কৰাত সকলো

## VALEDICTORY SPEECH

প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱা বাবে অসম চৰকাৰৰ মুখ্য সচিবকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ সকলো পৰ্যায়ৰ বিষয়া-কৰ্মচাৰী, বিধান সভা চৌহদৰ ভিতৰে-বাহিৰে নিৰাপত্তাৰ দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ বাবে অসম আৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰমুখ্যে বিভাগটোৰ বিষয়া-কৰ্মচাৰীৰ প্ৰতি অসম বিধান সভাৰ তৰফৰ পৰা মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

গুৱাহাটী দূৰদৰ্শন আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰই মহামাণ্য ৰাজ্যপালৰ ভাষণ আৰু মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী মহোদয়ৰ দ্বাৰা অসম চৰকাৰৰ ২০১৪-২০১৫ বিত্তীয়বৰ্ষৰ বাবে লেখানুদান বাজেট উপস্থাপন কৰা কাৰ্যসূচী পোনপটীয়াকৈ সম্প্ৰচাৰ কৰাৰ বাবে আৰু অধিৱেশনৰ কাৰ্য্যসূচী পোনপটীয়াকৈ সম্প্ৰচাৰ কৰাৰ বাবে বেচৰকাৰী টিভি চেনেল 'নিউজ লাইভ', 'নৰ্থ-ইষ্ট টেলিভিচন', 'ডি-ৱাই ৩৬৫' 'প্ৰাইম নিউজ', 'নিউজ-টাইম অসম', 'প্ৰাগ নিউজ', আদি লৈ অসম বিধানসভাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞানপন কৰিলো।

অধিবেশনৰ কেউদিনৰ কাৰ্যসূচীৰ বা-বাতৰি প্ৰচাৰ কৰি ইলেক্ট্ৰনিক আৰু ছপা সংবাদ মাধ্যমৰ সাংবাদিকসকলে আমালৈ আগবঢ়োৱা সহযোগিতাৰ বাবে তেখেত সকললৈ অসম বিধানসভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

এই পৱিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোঁতে অসম বিধানসভাৰ মাননীয় সদস্য-সদস্যাসকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ

দিহা-পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মই পুনৰবাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

ধন্যবাদ
জয়হিন্দ

# OBITUARY REFERENCE

মাননীয় অধ্যক্ষ ঃ মৃত্যু প্ৰসঙ্গ।

ত্ৰয়োদশ অসম বিধান সভাৰ একাদশ অধিবেশন চলি থকা কাল চোৱাত যোৱা ইংৰাজী ১৩ ফেব্ৰুৱাৰী, ২০১৪ তাৰিখে ৰাজ্যলৈ বিশেষ বৰঙণী আগবঢ়োৱা বিশিষ্ট আইনজীৱী, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মহাধিবক্তা তথা বিশিষ্ট সমাজকৰ্মী সুচেন্দ্ৰ নাথ ভূএগ্ৰাৰ পৰলোক প্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়ৰে প্ৰয়াত সুচেন্দ্ৰ নাথ ভূএগ্ৰা ডাঙৰীয়াৰ বিয়োগত এই সদনৰ পৱিত্ৰ মজিয়াত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

১৯২৪ চনত জন্ম গ্ৰহণ কৰা ভূএগ্ৰা ডাঙৰীয়া এগৰাকী সুবক্তা আছিল। তেখেতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দুবাৰকৈ মহাধিবক্তা পদত অধিষ্ঠিত হৈছিল। ভূএগ্ৰা ডাঙৰীয়াই ছাত্ৰ অৱস্থাৰ পৰাই সামাজিক কাম-কাজত সততাৰে জড়িত হৈ আজীৱন সমাজৰ হকে নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱাৰ অৱদান আগবঢ়াইছিল।

এই গৰাকী মহাধিবক্তা তথা নিষ্ঠাবান সমাজ কৰ্মীৰ বিয়োগত ৰাজ্যখনৰ সমাজ জীৱনত এক অপূৰণীয় ক্ষতি হ'ল।

এতিয়া প্ৰয়াত সুচেন্দ্ৰ নাথ ভূঞা ডাঙৰীয়াৰ পৱিত্ৰ স্মৃতিত আৰু তেখেতৰ বিদেহী আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালো।

সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The house then Stood adjourned Sine-die at 1-14 P.M.

Dispur<br>The 15th Feb/2014

G.P. Das<br>Principal Secertary<br>Asam Legislative Assembly